সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ১ সংখ্যা, ১৭পুহ , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 1 * Date Of Publication - 02 January 2022 Rs.5.00/-

## ২০২২ অসমৰ বাবে আশা আৰু সমৃদ্ধিৰ বছৰ হ'ব বুলি মন্তব্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইংৰাজী নৱবৰ্ষ ২০২২ অসমৰ বাবে আশা আৰু সমৃদ্ধিৰ বছৰ হ'ব বুলি মন্তব্য কৰে। কইনাধৰাস্থিত ৰনং চৰকাৰী অতিথিশালাত সংবাদ মাধ্যমৰ সৈতে মত বিনিময় অনুষ্ঠানত মিলিত হৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই বছৰটোতে অসম চৰকাৰে চুবুৰীয়া ৰাজ্যৰে থকা সীমা বিবাদ যিমান সোনকালে শেষ কৰিব পাৰি, তাৰ বাবে চেষ্টা চলাব। চুবুৰীয়া ৰাজ্যৰে চলি অহা সীমা বিবাদৰ বাবেই বহু সময়ত উত্তৰ-পূবৰ স্পিৰিট শেষ হৈ যায়। মেঘালয় আৰু অৰুণাচল প্ৰদেশৰ লগত দুই-এটা বিষয়তহে বাধা আছে। সেইদৰে এই বছৰটোত যথেষ্ট মূলধনী ব্যয় ৰাজ্যখনত হ'ব বুলি উল্লেখ কৰি তেওঁ কয় যে কেতিয়াও নোহোৱা সামাজিক খণ্ড আৰু মূলধনী ব্যয় এই বছৰটোতে হ'ব। অহা ২০২৬ চনত অসমৰ জি ডি পি ৬ লাখ কোটি টকা বৃদ্ধিৰ লক্ষ্য লৈছে। প্ৰতিবছৰে ৰাজ্যখনত ১০ শতাংশ জিডিপি বৃদ্ধি হ'লে সেই লক্ষ্যত উপনীত হ'ব পৰা যাব। যোৱা ৮ মাহত ৰাজ্যৰ জি ডি পি ৪ লাখ কোটি টকালৈ বৃদ্ধি হোৱাটো ভাল লক্ষণ। চৰকাৰখনৰ যোৱা ৮ মহীয়া কাৰ্যকালত ৩১খন কেবিনেট বৈঠকে ৮০০ সিদ্ধান্ত গ্ৰহণ কৰিছে। মিছন বসুন্ধৰা আঁচনিত ৮ লাখ ৮ হাজাৰ আবেদন আহিছে। ইয়াৰে এক লাখ ২৪ হাজাৰ আবেদন নিষ্পত্তি হৈছে। অহা ১০ মে'ৰ পূৰ্বেই সকলো আবেদন নিষ্পত্তি কৰিব পৰা যাব বুলি আশা প্ৰকাশ কৰি তেওঁ কয় যে পৰৱৰ্তী পৰ্যায়ত মিছন বসুন্ধৰা-২ আৰম্ভ কৰিলে অসমত মাটি-বাৰীৰ কোনো সমস্যাই নাথাকিব। পৰিবহণ বিভাগৰ ক্ষেত্ৰত যথেষ্ট স্বচ্ছতা অহাৰ কথা উল্লেখ কৰি তেওঁ কয় যে ড্ৰাইভিং লাইচেঞ্চ, লানাৰ ড্ৰাইভিং লাইচেঞ্চ

( পাঁচ পৃষ্ঠাত চাওক)

## সম্পাদকীয়ঃ

### স্বাগতম ২০২২




আপোনালোকৰ আদৰ আৰু অনুপ্ৰেৰণাত প্ৰস্ফুটিত হৈ উঠা এপাহ ফুলৰ দৰে আজিৰ আমাৰ থুনুক - থানাক খোজেৰে খোজ দিব খোজা ৰঙিলী বাৰ্ত্তায়ে সুন্দৰ ভাবে আগবাঢ়ি গৈ নিজৰ স্থানত সৰ্বাঙ্গ সুন্দৰ ৰূপত থিয় হ'বলৈ সক্ষম হৈছে। বিগত অনাকাংক্ষিত বৰ্ষয়েও স্পৰ্শ কৰিব নোৱাৰা ৰঙিলী বাৰ্তাই আৰু এটি বছৰেৰে নিজকে সবল ৰূপ দিবলৈ আগবাঢ়িছে। এই ক্ষেত্ৰত আপোনালোক কাকত খনৰ লগত ছাঁৰ দৰে থাকি যি সহায় সহযোগিতা আগবঢ়ালে তাৰবাবে আমি আপোনালোকৰ ওচৰত চিৰ কৃতজ্ঞ । ৰঙিলী বাৰ্ত্তাৰ পৰিয়ালবৰ্গৰ তৰফৰ পৰা সকলোকে ইংৰাজী নৱবৰ্ষৰ আন্তৰিক শুভেচ্ছা আৰু শুভকামনা জ্ঞাপন কৰিলো। যোৱাবছৰটোৰ দৰে অনাগত দিনবোৰটো আপোনালোক ! আপোনালোকৰ মৰম আৰু সহায় - সহযোগিতাৰে কাকতখনক উজ্জীৱিত কৰিব বুলি আশা কৰিলো।

## নৱবৰ্ষৰ প্ৰথম দিনাই সাংবাদিকক আক্ৰমণৰ অপচেষ্টা



ৰূপাংক বৰুৱা, গোলাঘাট, ৰঙিলী বাৰ্ত্তাসেৱা- ফটোত দেখা এইজনলৈ ভালদৰে মন কৰক, সম্পুৰ্ণ দৃশ্য দেখিলে আপোনাৰো গা নোম শিয়ঁৰি উঠিব। হাতে হাতে চোকা অস্ত্ৰ, যাঠি লৈ বানভোজ থলী নহয় যেন ৰণক্ষেত্ৰ হে। ঘটনা অনুসৰি বনভোজ খাই উভতাৰ পথত দুটা দলৰ মাজত মতানৈক্য হৈ কাজিয়াৰ সূত্ৰপাত হয়। ২ নং নেঘেৰীবিলৰ এটা বিশেষ সম্প্ৰদায়ৰ লোকে হাতত দা, কুঠাৰ লৈ এটা দলক আক্ৰমণৰ প্ৰচেষ্ঠা চলায়। ঠিক তেনে সময়তে এগৰাকী সংবাদ কৰ্মীয়ে নিজা ম'বাইলেৰে কাজিয়াখনৰ দৃশ্য গ্ৰহণ কৰি থকাৰ সময়তে মঃ আব্দুল মুন্নাফ নামৰ ব্যক্তিজনে কিয় ভিডিঅ'গ্ৰাফী কৰিছ' বুলি অশ্লীল গালি গালাজ কৰি সাংবাদিক জনক এখন চোকা অস্ত্ৰৰে আঘাট কৰাৰ চেষ্টা কৰে। ব্যক্তিজনে অৰ্তকিতে কৰা আক্ৰমণত সাংবাদিকজন গুৰুতৰ ভাৱে আহত হয়। ইয়াৰ পাছতেই সাংবাদিক গৰাকীক সতীৰ্থৰ সহায়ত আক্ৰমণকাৰীৰ পৰা উদ্ধাৰ কৰি ততালিকৈ মেৰাপানীৰ চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। লগে লগে ভুক্তভোগী সাংবাদিক গৰাকীয়ে মেৰাপানী থানাত এজাহাৰ দাখিল কৰিছে।

## চৰকাৰৰ বস্ত্ৰৰ ক্ষেত্ৰত জিএছটি পূৰ্বৰ ৫ শতাংশতে ৰখাৰ সিদ্ধান্ত




ৰঙিলী বাৰ্ত্তাসেৱা- ২০২২ চনৰ ৰ জানুৱাৰীৰ পৰা বিভিন্ন ধৰণৰ পোছাকৰ ক্ষেত্ৰত জিএছটি ৫ শতাংশৰ পৰা ১২ শতাংশলৈ বৃদ্ধি হ'ব বুলি ঘোষণা কৰা হৈছিল যদিও চেণ্ট্ৰেল ব'ৰ্ড অৱ ইনডাইৰেক্ট টেক্সেছ এণ্ড কাষ্টমছ (চিবিআইটিচি)ৰ তৰফৰ পৰা ঘোষণা কৰিছে যে বস্ত্ৰশিল্পত পণ্য আৰু সেৱাকৰ (জিএছটি) বৃদ্ধিৰ এই সিদ্ধান্ত স্থগিত ৰখা হৈছে। এই সিদ্ধান্তক লৈ বিৰোধী দলসমূহে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছিল। এই আপত্তি তথা প্ৰতিবাদৰ বাবে জিএছটি ৫ শতাংশতে ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰে কেন্দ্ৰীয় চৰকাৰে। জিএছটি পৰিষদৰ বৈঠকত বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ অধ্যক্ষতাত বস্ত্ৰৰ ক্ষেত্ৰত জিএছটি পূৰ্বৰ ৫ শতাংশতে ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

# ৰন্ধন গেছৰ বাণিজ্যিক চিলিণ্ডাৰৰ মূল্য ১০২.৫০ টকা হ্ৰাস



ৰঙিলী বাৰ্তাসেৱা- নতুন বছৰৰ আৰম্ভণিতেই এটা ভাল খবৰ। ১৯ কেজি বাণিজ্যিক এলপিজি চিলিণ্ডাৰৰ দাম হ্ৰাস কৰা হৈছে। ৰন্ধন গেছৰ বাণিজ্যিক চিলিণ্ডাৰৰ মূল্য ১০২.৫০ টকা হ্ৰাস কৰা হৈছে। বাণিজ্যিক চিলিণ্ডাৰৰ ক্ষেত্ৰত এই মূল্য হ্ৰাস কৰিছে ইণ্ডিয়ান অইল কৰ্পৰেশ্যনে। কিন্তু ঘৰুৱা চিলিণ্ডাৰৰ দামৰ কোনো পৰিৱৰ্তন হোৱা নাই। ডিচেম্বৰ ২০২১-ত বাণিজ্যিক গেছৰ চিলিণ্ডাৰৰ দাম ১০০ টকা বাঢ়িছিল।

# নতুন বছৰৰ প্ৰথমটো দিনত কইনাধৰাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সংবাদমেল



ৰঙিলী বাৰ্তাসেৱা- বছৰৰ প্ৰথমটো দিনত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কইনাধৰাত সংবাদ মেলত বহুকেইটা গুৰুত্বপূৰ্ণ মন্তব্য কৰি কয়- ২০২১ বৰ্ষটো আমাৰ বাবে বেদনাৰ বৰ্ষও আছিল। ক'ভিডে আমাৰ মাজৰ পৰা বহু প্ৰতিভা, আপোন মানুহক লৈ গ'ল। নতুন বছৰটো শক্তিশালী অসম হোৱাৰ কামনা মুখ্যমন্ত্ৰীৰ। বহুদিনৰ মূৰত উত্তৰ-পূবৰ পৰা অসমে এগৰাকী কেবিনেট মন্ত্ৰী পালে। ৰাজনৈতিক ক্ষেত্ৰখনৰ কাৰণে এয়া গুৰুত্বপূৰ্ণ ঘটনা। বিনয় শইকীয়া, লাভলীনা বৰগোঁহাইয়ে অসমক বেলেগ পৰ্যায়লৈ লৈ গ'ল। বিজ্ঞান, সাহিত্যৰ দিশৰ পৰা ২০২১ বৰ্ষটো অসমৰ বাবে গুৰুত্বপূৰ্ণ বছৰ। 'অসম চুক্তিৰ ছয় নং দফাক লৈ আমি আগবাঢ়িব পৰা নাই। আছুৰ লগত আমি কথা পাতি আছো। ছয় জনগোষ্ঠীক জনজাতীয়কৰণ কৰাত বৰ্তমানৰ জনজাতীয় লোকে বাধা দিছে। এতিয়াৰ পৰা অসম লোকসেৱা আয়োগৰ পৰীক্ষা অসমীয়াতে দিব পাৰিব মেডিকেল, অভিযান্ত্ৰিক আদি সকলো প্ৰৱেশ পৰীক্ষা অসমীয়াত হ'ব। অসমত এতিয়া বেয়া কাম কৰাৰ সাহস কাৰোৰে নাই। আগৰ দিনৰ কথা বেলেগ আছিল। অসমীয়া জাতিক আৰু ভাঙিব দিব নোৱাৰো। বহু সৰু হৈয়ে গ'ল ইতিমধ্যে অসমীয়া ভাষা ৰক্ষা কৰাতো চৰকাৰৰ দায়িত্ব নহয়। ৰাইজে কৰিব লাগিব। অসমীয়া স্কুলত পঢ়োৱাক। চৰকাৰ সকলোৰে বাবে।' AFSPA চাৰিমাহৰ পিছত অসমত পুনৰ ৰিভিউ হ'ব সেই সময়ত আমি কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰিম। ৩১ ডিচেম্বৰৰ দিনটোত এটাও পথ দুৰ্ঘটনা হোৱা নাই। সকলো সশস্ত্ৰ সংগঠন মূল সুঁতিলৈ উভতি অহাটো আমাৰ বাবে ভাল লক্ষণ। চিভিল চছাইটি অফ ট্ৰাইবেল পিপ'লে এইক্ষত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লৈছে। বসুন্ধৰাৰ জৰিয়তে ৮ লাখ আবেদন আহিছিল। মিছন বসুন্ধৰাৰ জৰিয়তে ১লাখ ৮০হাজাৰ সমস্যা নিষ্পত্তি কৰা হৈছে। ডি টি অ' অফিচলৈ নোযোৱাকৈয়ে সকলো কাম কৰা হ'ব। ৩১ মাৰ্চৰ ভিতৰত সম্পূৰ্ণকৈ অনলাইন হ'ব পৰিবহণ বিভাগ।

# বৈষ্ণৱ দেৱী মন্দিৰত প্ৰচণ্ড ভিৰৰ মাজত ১২জনকৈ ভক্তৰ মৃত্যু



ৰঙিলী বাৰ্তাসেৱা- নতুন বছৰৰ আনন্দৰ মাজতে বৈষ্ণ দেৱী মন্দিৰত শোকাবহ ঘটনা সংঘটি হৈছে। মাৰ চৰণত সেৱা জনোৱাৰ বাবে ভক্তৰ প্ৰচণ্ড ভিৰৰ মাজত ১২জনকৈ লোকৰ মৃত্যু হয়। গুৰুতৰভাৱে ১৩জন লোক আহত হয়। ঘটনা সন্দৰ্ভত জানিব পৰা মতে নতুন বছৰৰ বাবে সমবেত হোৱা হাজাৰ হাজাৰ লোকৰ মাজত হোৱা বাক-বিতণ্ডাৰ পিছত সংঘাটৰ সৃষ্টি হয়। পৰিস্থিতি এটা সময়ত নিয়ন্ত্ৰণৰ বাহিৰত যায় আৰু পদপিষ্টৰ ঘটনা সংঘটিত হয়। হাজাৰ হাজাৰ লোকৰ ভিৰৰ মাজত দৌৰাদৌৰি লগাৰ ফলত ভিৰত পদপিষ্ট হৈ থিতাতে ১২জনকৈ লোকৰ মৃত্যু হয়। ঘটনাৰ আহত হোৱা সকলক ইতিমধ্যে চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঘটনাত দুখ প্ৰকাশ কৰিছে।

# যোৱা ২৪ ঘণ্টাত ১৯২ গৰাকী লোক ক'ভিডত আক্ৰান্ত

ৰঙিলী বাৰ্তাসেৱা- ৰাজ্যত নৱবৰ্ষ উদযাপনৰ সময়তে বিগত ২৪ ঘণ্টাত ক'ভিডত আক্ৰান্ত হৈছে ১৯২গৰাকী লোক। কামৰূপ মেট্ৰ'ত বিগত ২৪ ঘণ্টাত ক'ভিডত আক্ৰান্ত হৈছে ১০৫ গৰাকী লোক। আনহাতে যোৰহাত জিলাত ১৪ জন, ডিব্ৰুগড়ত ১০ আৰু কামৰূপ গ্ৰাম্য জিলাত ১০ জনৰ দেহত ধৰা পৰিছে ক'ভিড। বৰ্তমান ৰাজ্যত ৮৭১ গৰাকী লোক ক'ভিডত আক্ৰান্ত হৈ হাস্পতালত ভৰ্তি হৈ আছে। ৰাজ্যত ক'ভিড পজিটিভিটিৰ হাৰ নিম্নগামী হৈ থকাৰ লগতে সুস্থতাৰ হাৰো বৃদ্ধি পাইছে যদিও অ'মিক্ৰণৰ সংক্ৰমণক লৈয়ো আশংকা অব্যাহত আছে। বিশেষজ্ঞ সকলে ক'ভিডৰ তৃতীয় লহৰৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি জনসাধাৰণক ক'ভিড বিধিসমূহ মানি চলিবলৈ আহ্বান জনাইছে।

# মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ৩১ ডিচেম্বৰত শূণ্য দুৰ্ঘটনাৰ পণ সফল



ৰঙিলী বাৰ্তাসেৱা- নতুন বৰ্ষ উদযাপনৰ নামত প্ৰতিটো বছৰৰ অন্তিম দিনা সংঘটিত হোৱা দুৰ্ঘটনাত বহু লোকৰ মৃত্যু হয়। এনে দুৰ্ঘটনা ৰোধৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত চলা বিশেষ অভিযানে যথেষ্ট সুফল দিয়ে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই নৱবৰ্ষৰ প্ৰাক্কক্ষণৰ পৰাই সুৰা সেৱন কৰি যান-বাহন চলোৱাৰ পৰা বিৰত থাকিবলৈ ৰাজ্যবাসীক আহ্বান জনোৱাৰ লগতে এই নিয়ম ভংগকাৰীৰ বিৰুদ্ধে অভিযান চলোৱা হ'ব বুলিও ঘোষণা কৰিছিল। সেই অনুসৰিয়েই ডিচেম্বৰৰ নিশা সুৰাপায়ীৰ বিৰুদ্ধে আৰক্ষীয়ে চলাই থকা অভিযান তদাৰক কৰিবলৈ ৰাজপথলৈ নিজে ওলাই আহিছিল মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা।। এই সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়- আৰক্ষী আৰু পৰিবহণ বিভাগে সুৰাসক্ত হৈ যান-বাহন চলোৱা লোকৰ বিৰুদ্ধে যি অভিযান চলাইছে, সেই অভিযান প্ৰত্যক্ষ কৰাৰ লগতে তেওঁলোকক উৎসাহিত কৰাৰ বাবে ৰাজপথলৈ ওলাই আহিছোঁ। অন্য বৰ্ষৰ দৰে এইবাৰ অন্তিম দিনটোত ৰাজপথলৈ বহু জ্যেষ্ঠ লোক নিৰ্ভয়ে ওলাই অহা পৰিলক্ষিত হৈছে। বহু পৰিয়ালেও নৱবৰ্ষৰ প্ৰাক্কক্ষণত ৰাজপথলৈ ওলাই অহা দেখা পাইছোঁ। ইয়াৰ দ্বাৰা স্পষ্ট হৈছে যে আৰক্ষীয়ে যি অভিযান চলাইছিল, সেয়া যথেষ্ট সফল হৈছে।

# মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ধীৰেনপাৰা আৰু পাণ্ডু এফ আৰ ইউক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ সংলগ্ন চিকিৎসালয় হিচাপে আনুষ্ঠানিকভাৱে আৰম্ভ

ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ধীৰেনপাৰা এফ আৰু ইউ আৰু পাণ্ডু এফ আৰ ইউক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ (জিএমচিএইচ)ৰ সংলগ্ন চিকিৎসালয় হিচাপে আনুষ্ঠানিকভাৱে আৰম্ভ কৰে। ৰাজ্য চৰকাৰে গুৱাহাটীৰ পাণবজাৰস্থিত মহেন্দ্ৰ মোহন চৌধুৰী চিকিৎসালয়খন(এমএমচিএইচ)ৰ ঠাইত এখন নতুন ৮০০খন বিছনাযুক্ত মাল্টি স্পেচিয়েলিটি চিকিৎসালয় নিৰ্মাণৰ পদক্ষেপ লৈছে। ইয়াৰে পৰিপ্ৰেক্ষিতত এই চিকিৎসালয়খনৰ সেৱা বন্ধ কৰা হৈছে। সেয়েহে ৰোগীসকলৰ সুবিধাৰ্থে ধীৰেনপাৰা এফ আৰ ইউ আৰু পাণ্ডু এফ আৰ ইউক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ সৈতে সংলগ্ন কৰা হৈছে। ধীৰেনপাৰা এফ আৰ ইউত অস্ত্ৰোপচাৰ সেৱা, মেডিচিন বিশেষজ্ঞ , শৈল্য চিকিৎসা সেৱা, প্ৰসূতি আৰু মাতৃৰ স্বাস্থ্য সেৱা, নাক-কাণ-ডিঙি স্বাস্থ্য সেৱা, বিনামূলীয়া এক্সৰে', আল্ট্ৰাছন'গ্ৰাফী, পৰীক্ষাগাৰ সেৱা উপলব্ধ হোৱাকে ধৰি মুঠ বিছনাৰ সংখ্যা ১০০খন থাকিব। আনহাতে, পাণ্ডু এফ আৰ ইউত অস্ত্ৰোপচাৰ সেৱা, মাতৃ আৰু শিশুৰ স্বাস্থ্যসেৱাৰ লগতে অস্ত্ৰোপচাৰ সেৱা, বিনামূলীয়া এক্সৰে', আল্ট্ৰাছন'গ্ৰাফী, পৰীক্ষাগাৰৰ সেৱা, সাধাৰণ ৰোগীৰ বাবে স্বাস্থ্য সেৱা উপলব্ধ হোৱাৰ উপৰি হাস্পতালখনত ৩০খন বিছনা থাকিব। এই



অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱা, পশ্চিম গুৱাহাটী সমষ্টিৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা উপস্থিত থাকে।


# ৩১ ডিচেম্বৰত গুৱাহাটীত ৬ কোটি টকাৰ দেশী-বিদেশী সুৰাৰ বিক্ৰী

ৰঙিলী বাৰ্ত্তাসেৱা- আৰক্ষী প্ৰশাসনৰ নিৰ্দেশনাক সন্মান জনাই মহানগৰবাসীয়ে নতুন বছৰক আদৰাৰ লগতে সপৰিয়ালে লগে-ভাগে এসাঁজ খাই ইজনে-সিজনক যাচিলে নতুন বছৰৰ ওলগ। মন কৰিবলগীয়া কথা যে সুৰাপায়ী চালকৰ বিৰুদ্ধে যান-বাহন আৰক্ষীয়ে কঠোৰ পদক্ষেপ গ্ৰহণ কৰি ৰাজপথত ব্যাপক তালাচী অভিযান চলোৱাৰ পাছতো ৩১ ডিচেম্বৰত মহানগৰীত ৬ কোটি টকাৰ দেশী-বিদেশী সুৰাৰ বিক্ৰী হয়। প্ৰাপ্ত খবৰ মতে পুৱাৰে পৰা নিশা পৰ্যন্ত মহানগৰীৰ সুৰাৰ বিপণীত গ্ৰাহকে ব্যাপক ভিৰ কৰে।



দিনটোত মহানগৰীৰ বিভিন্ন প্ৰান্তৰ সুৰাৰ বিপণীত ছয় কোটি টকাৰ সুৰা বিক্ৰী হয়। ইফালে সুৰাপায়ী চালকৰ বিৰুদ্ধে যান-বাহন আৰক্ষীয়ে অভিযান চলাই ১১৫জনৰ বিৰুদ্ধে গোচৰ ৰুজু কৰাৰ লগতে। ৬৩ খন গাড়ীচালনাৰ অনুজ্ঞাপত্ৰ জব্দ কৰাৰ উপৰি মুঠ ৩৭ খন গাড়ী চালনাৰ অনুজ্ঞাপত্ৰ বাতিল কৰে।

# ভাৰতত ২৭, ৫৫৩ জন লোক নতুনকৈ কৰ'নাত সংক্ৰমিত



ৰঙিলী বাৰ্ত্তাসেৱা- স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে জনোৱা অনুসৰি ভাৰতত যোৱা ২৪ ঘণ্টাত নতুনকৈ ২৭, ৫৫৩ জন লোক কৰ'নাত সংক্ৰমিত হৈছে। আৰু দেশখনত নতুনকৈ ২৮৪ জন লোকৰ নতুনকৈ কৰ'না সংক্ৰমণৰ ফলত মৃত্যু হৈছে। যাৰ ফলত ভাৰতত মৃত্যু হোৱা লোকৰ সংখ্যা ৪, ৮১, ৭৭০ জন লৈ বৃদ্ধি পাইছে। ভাৰতত বৰ্তমান সক্ৰিয় ১, ২২, ৮০১ টা ঘটনা আছে। আনহাতে দৈনিক পজিটিভৰ হাৰ ২.৫৫ লৈ বৃদ্ধি পাইছে।

# ৩ জানুৱাৰীৰ পৰা১৫ পৰা ১৮ বছৰৰ কিশোৰ কিশোৰীসকলক প্ৰতিষেধক প্ৰদান

ৰঙিলী বাৰ্ত্তাসেৱা- ৩ জানুৱাৰীৰ পৰা ১৫ পৰা ১৮ বছৰৰ কিশোৰ কিশোৰীসকলৰ প্ৰতিষেধক প্ৰদান আৰম্ভ কৰা হ'ব। এই বিষয়ত আলোচনা কৰিবলৈ কামৰূপ মহানগৰ জিলাৰ উপায়ুক্ত পল্লৱ গোপাল ঝায়ে জিলাখনৰ বিদ্যালয়সমূহৰ প্ৰধান শিক্ষকসকলৰ লগত এখন সভা অনুষ্ঠিত কৰে। জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত এই সভাত জিলা স্বাস্থ্য বিভাগক বিদ্যালয় কৰ্তৃপক্ষৰ লগত আলোচনা কৰি আগতীয়াকৈ সকলো ব্যৱস্থা গ্ৰহণ কৰিবলৈ




উপায়ুক্তই নিৰ্দেশ দিয়াৰ লগতে শিক্ষকসকলক ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰতিষেধক গ্ৰহণৰ সজাগতা সৃষ্টিৰ বাবে আহ্বান জনায়। প্ৰতিখন বিদ্যালয়ৰ ১৫ বছৰৰ পৰা ১৮ বছৰৰ ভিতৰৰ ছাত্ৰ-ছাত্ৰীৰ আগতীয়াকৈ এখন

(আঠপৃষ্ঠাত চাওক)

# ভাৰতত অ'মিক্ৰনত আক্ৰান্তৰ ঘটনা ১৫০০ৰ সীমা অতিক্ৰম




ৰঙিলী বাৰ্ত্তাসেৱা- যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ অ'মিক্ৰণত ৯৪ জন লোক সংক্ৰমিত হৈছে। যাৰ ফলত ভাৰতত অ'মিক্ৰণত সংক্ৰমিত হোৱা লোকৰ সৌংখ্যা ১, ৫২৫

(আঠপৃষ্ঠাত চাওক)

# নতুন বছৰৰ সংকল্প

স্বাগতা বৰুৱা গোস্বামী
নগাওঁ




এতিয়া নতুনক আদৰাৰ সময় সমাগত। দিন আহে দিন যায় এনেকৈয়ে শেষ হৈ যায় একোটা দিন, মাহ আৰু একোটা বছৰ বৈ যায় কেৱল মানস পটতত কিছু ভাল লগা আৰু বেয়া লগা স্মৃতিহে। বিগত বৰ্ষটোৰ শেষ প্ৰান্তত থিয় হৈ আমি হেৰাই যাবলৈ লোৱা বৰ্ষটোলৈ যদি এবাৰ চাওঁ দেখিম যে বছৰটোত বহুতো ভাল লগা আৰু বেয়া লগা খবৰে আমাৰ মন মগজুত ঠাই ল'বলৈ সক্ষম হ'ল। ক্ৰীড়াৰ পৰা পদ্মশ্ৰী, ভাৰতৰত্নলৈকে কেইবাটাও ভাল খবৰে আমাৰ অসমৰ নাম বিশ্বদৰবাৰত উজ্জ্বলাই তুলিলে। আনফালে বিগত বছৰটোত কেইবাটাও দুখজনক খবৰেও আমাক জোকাৰি গ'ল। হত্যা, গণ উন্মাদনা, ধৰ্ষণ, আত্মহত্যা ইত্যাদি। বছৰটোৰ আৰম্ভণিৰ পৰা কভিডে কোঙা কৰি বহুতৰে জীৱনলৈ নমাই আনিলে অমানিশা। কোনোৱে যদি মাক অথবা দেউতাকক হেৰুৱাইছে কোনোবা আকৌ ঘাট মাউৰা হৈছে আন কোনোবাই আকৌ পুত্ৰ শোকো পাইছে। ইমানখিনিৰ পিছতো কিন্তু দুখৰ বিষয় যে আমাৰ মানুহখিনিৰ মাজত আত্মহত্যাৰ প্ৰৱণতা উদ্বেগজনকভাৱে বৃদ্ধি পাইছে। বিগত বৰ্ষটোত ৩৭৩টা আত্মহত্যা হোৱাৰ খবৰটো সঁচাই চিন্তনীয় হৈ পৰিছে। 'জীৱন জীৱন বৰ অনুপম'..বিজ্ঞসকলে কয়..সময়ৰ বাধা আতঁৰাই সৎ চিন্তাৰে আগবাঢ়ি সংগ্ৰাম জয় কৰাৰ অন্য এক নামেই জীৱন..এই বাক্যবোৰে আমাৰ নব প্ৰজন্মক আকৰ্ষিত কৰিব পৰা নাই নেকি বাৰু? মানুহ সামাজিক প্ৰাণী। সুখে-দুখে এই জীৱন। দুখ থাকিলেহে সুখ, হাঁহি থাকিলেহে যে কান্দোন এই সকলোবোৰ আমি আমাৰ প্ৰজন্মক বুজাব পৰা নাই নেকি বাৰু? এতিয়া আমি অভিভাৱকসকল বিশেষকৈ মাতৃ গৰকীয়ে বৰ্তমান হৈ থকা সমস্যাসমূহৰ পৰা আমি আমাৰ সন্তান সকলক কেনেকৈ আতঁৰাই ৰাখিব পাৰো সেই বিষয়ে চিন্তা কৰাৰ সময়হে আহি পৰিছে। যিহেতুকে আমি পিতৃ প্ৰধান দেশৰ বাসিন্দা, সেয়ে পিতৃসকলৰ ওপৰত সকলো দায়িত্ব নিদি আমি মাতৃসকলে আমাৰ সন্তানক অধ্যয়ন কৰিব পাৰিব লাগিব। তাহাঁতৰ ৰুচি, অভিৰুচিৰ বিষয়ে জানিব লাগিব। কেতিয়াবা কোনো

(আঠপৃষ্ঠাত চাওক)

# সেই ছোৱালীজনী

শতাব্দী শৰ্মা,নগাওঁ



বিদ্যামন্দিৰৰ অৰ্কমেনিয়া গছজোপাৰ তলত
ছোৱালীজনীৰ ভাবনাৰ সীমান্তত,
এজাক পক্ষীৰ কাকলিৰ মাজত
পুথিভঁৰালৰ বাকৰিত,
বতৰৰ বতৰা জনাৰ মন নাই
কথা পতাৰো আগ্ৰহ নাই ।
অৰ্কমেনিয়া গছৰ পাতবোৰলৈ চাই
ছোৱালীজনীয়ে কি ভাবি পাই!!!
পক্ষীজাকৰ কাকলিয়েও
তাইৰ নীৰৱতা ভংগ কৰিব পৰা নাই ।
পুথিভঁৰালৰ মহান সমুদ্ৰৰ
নিৰৱচ্ছিন্ন ছবি তাইৰ চকুত ভাহিছে ।
সেই সমুদ্ৰ জানো সহজে
সাতুঁৰিব পাৰিব!!!
অৰ্কমেনিয়া গছৰ ছাঁত বহি তাই
মহান সমুদ্ৰৰূপী কিতাপৰ চিন্তাত
ডুব যায় ।।

Govt. of Assam approved

# ৰঙিলী বাৰ্তা

নিতিশ্মান দাস, শ্ৰেণী- সপ্তম

ৰঙিলী বাৰ্তা মানেনো কি?
নিশ্চয় সেইটো!
যিটোৱে অনেক প্ৰতিভাৰ দিয়ে চিনাকি।
ভাবিছিলোঁ কেনেকৈ কৰিম মোৰ পদ্যৰ প্ৰদৰ্শন,
প্ৰদৰ্শন কৰিবৰ বাবে লাগিব পাৰে বহু ধন।
মোৰ পদ্যৰ কিছু শব্দ হেমকোষত পালোঁ,
শব্দ বিচাৰি বিচাৰি ছন্দ মিলাবলে চালোঁ।
হঠাৎ ৰঙিলী বাৰ্তা আছে বুলি শুনিলোঁ,
এই সুযোগতো মই বন্দিতা বাইদেউৰ পৰা জানিলো।
বহু লোকৰ বহু ৰচনাৰ এই বাৰ্তায়ে দিলে চিনাকি,
বহু লোকৰ ৰচনাৰ উঠিল জিলিকণি।
ৰঙিলী বাৰ্তা এনে এপাহ সুবাসীত ফুল,
যি বুজাই সাহিত্যৰ মূল।
ৰঙিলী বাৰ্তা এনে এখন চিলা,
যিয়ে দেখুৱাই সকলোকে প্ৰকাশ হেঙুলীয়া।
উদীপ্ত ছাৰৰ পৰা এই সুযোগতো পালোঁ,
তেখেতক মই ইয়াৰ বাবে ধন্যবাদ যাচিলোঁ।
বাৰ্তা, পদ্য, গদ্য আদি সকলো জানিবা,
জীৱনৰ এটা পল থাকিলেও এইখন এবাৰ চাবা।
ৰঙিলী বাৰ্তা বৈ থকা এখন বিশাল সাগৰ,
পাবা জ্ঞান এই বাৰ্তাত বিভিন্ন ধৰণৰ।
এদিন নিশ্চয় বিশ্বয়ে ইয়াৰ গুণ গান গাব,
আৰু নিশ্চয় ইয়াৰ দ্বাৰাই সকলো প্ৰসিদ্ধ হব।
আশা কৰোঁ ৰঙিলী বাৰ্তায়ে আকাশৰ ওপৰ চোৱক,
শ্ৰদ্ধাৰ মহেশ ছাৰৰ স্মৃতি এই বাৰ্তাৰে যুগমীয়া হৈ থাকক।

# শিশুৰ আগ্ৰহ, মনোযোগ, অভ্যাস, যোগ্যতা

কৌশল্যা বৰা, দেৰগাঁও



সমাজৰ যোগ্য ব্যক্তি সকলেই মানুহৰ সমাজ খন সুন্দৰ আৰু সুখকৰ কৰি ৰাখে। আনহাতে অযোগ্যজনে মানুহৰ সমাজৰ সুখ-শান্তি বিনষ্ট কৰে। অপ্ৰিয় হ'লেও এটা কথা সত্য যে বৰ্তমান সমাজত প্ৰকৃত মানুহৰ সংখ্যা কমি আহিছে। দৈনন্দিন ঘটি থকা অমানৱীয় ঘটনাবোৰে এনেদৰে ভাবিবলৈ বাধ্য কৰিছে। সচেতন সকলে দ'কৈ চিন্তা কৰিবৰ হ'ল। সাম্প্ৰতিক প্ৰৱল ভূমিকম্পৰ দৰে জোকাৰি যোৱা সমাজত ঘটি থকা কিছুমান ঘটনাৰ বাবে শৈশৱৰ পৰা ল'ৰা-ছোৱালীৰ গঢ় লোৱা বদ্ অভ্যাসেই তেনেবোৰ ঘটনাৰ একমাত্ৰ কাৰণ। বিশেষকৈ এতিয়াৰ শিশুসকলক ভৱিষ্যতৰ সমাজৰ বাবে একো একোজন উপযুক্ত নাগৰিক ৰূপে গঢ়ি তুলিবই লাগিব। হয়, সকলো লোকেই নিজৰ সন্তানক ভৱিষ্যৎ যোগ্য ব্যক্তি ৰূপে গঢ়িবলৈ অহৰ্নিশে চিন্তা কৰে। পঢ়া-শুনা, খোৱা-বোৱাৰ কাৰণে অহোপুৰুষাৰ্থ কৰে। তাৰ মাজতো কিন্তু কেতিয়াবা ভবামতে হৈ নুঠেগৈ। কৰবাত কিবা যেন ত্ৰুটি ৰৈ যায়। এটি শিশুক সজ- শিক্ষাৰে শিক্ষিত কৰি আগবঢ়াই নিবলৈ আমি পূৰ্ববাল্যকালীন বয়সৰ পৰাই যত্ন কৰিব লাগিব। ধৰিলওক, শিশুটিৰ শৰীৰটো নিৰোগী কৰি ৰাখিবলৈ শিশুটিক খাদ্যৰ লগতে প্ৰয়োজন অনুশৰি ঔষধ-পাতি খুৱাব লাগে। বহুত ল'ৰা-ছোৱালীয়ে ঔষধ খাবলৈ আগ্ৰহ প্ৰকাশ নকৰে। তেতিয়া আমি এনে কিছু উপায় উইলিয়াও যে ঔষধৰ প্ৰতি শিশুটি আগ্ৰহী হয়গৈ। বিভিন্ন উদাহৰণ দিও, ঔষধৰ উপকাৰিতাৰ বিষয়ে বিভিন্ন কথা কওঁ, ঔষধ নাখালে পাছত কি হ'ব পাৰে সেই বিষয়ে বিভিন্ন উদাহৰণ দি তাক ভয় খুৱাওহঁক। যাৰ ফলত শিশুটিয়ে ঔষধ খাবলৈ মান্তি হয়গৈ। এইটো এটা সৰু উদাহৰণ হে। আচলতে শিশুক ভাল যিকোনো কথা শিকাবৰ কাৰণে চিধাই 'এইটো কৰা'-বুলি ক'লে কেতিয়াও নকৰে। লিখা-পঢ়াই হওক নতুন অন্য সজ আচৰণ শিকাবৰ কাৰণেই শিশুৰ প্ৰথমে ভিতৰৰ মনটো পঢ়িব লাগিব। তাৰ পাছত লাহে লাহে তাৰ কামটোৰ প্ৰতি আগ্ৰহ, মনোযোগ, সৃষ্টি কৰি সেই কামটোৰ অভ্যাস কৰাব লাগিব। আগ্ৰহ, মনোযোগ আৰু অভ্যাসৰ ফলশ্ৰুতি হ'ল যোগ্যতা। সকলো অভিভাৱকৰে এটাই চিন্তা যে নিজৰ শিশুটিক কিদৰে ভাল শিক্ষাৰে শিক্ষিত কৰি সমাজত সন্মানীয় ব্যক্তিৰূপে গঢ়ি তুলিম। এইখিনি আশা পূৰণ কৰিবলৈ পূৰ্ববাল্যকালীন সময়ৰ পৰাই শিশু এটিৰ মানসিক জগতখনক সজাই তুলিব লগীয়া হয়। এটা বিষয়ৰ প্ৰতি আগ্ৰহ জন্মোৱা, সেই বিষয়লৈ মনোযোগ আকৰ্ষণ কৰা, তাক লাহে লাহে অভ্যাস কৰোঁৱা আৰু শেষত সেই অভ্যাসৰ দ্বাৰাই শিশুটিয়ে ভৱিষ্যত দক্ষতা অৰ্জন কৰিব পৰা হোৱা। এই চক্ৰটো সম্পূৰ্ণ কৰাটোৱেই জটিল প্ৰক্ৰিয়া। কিয়নো সকলো শিশুৰে আগ্ৰহ বেলেগ বেলেগ হয়, সিহঁতৰ মনৰ ভিতৰৰ অনুভূতিবোৰ বেলেগ হয়। সেয়ে শিশুৰ আভ্যন্তৰীণ ক্ষমতাসমূহ বাচি উলিয়াই ভাল ক্ষমতাবোৰৰ প্ৰতি প্ৰথমে আগ্ৰহ বঢ়াব পাৰিব লাগিব। আগ্ৰহ বঢ়াবলৈ শিশুৰ কাৰণে প্ৰয়োজন এক সুন্দৰ ঘৰুৱা পৰিৱেশৰ। ঘৰুৱা পৰিৱেশ বুলিলে অৰ্থ- নৈতিকভাৱে সবল, সা-সুবিধাৰে পৰিপূৰ্ণ, ভোগ বিলাস সৰ্বচ্চ এখন ঘৰক নুবুজাই। এখন ঘৰ, য'ত প্ৰতি সদস্যই আন্তৰিক শান্তি, মিলাপ্ৰীতিৰে সৰগীয় সুখত দিন পাৰ কৰিব পাৰে, উন্নতিত আনন্দ আৰু ভুল-দোষক মুকলিকৈ বঢ়াই-বুজাই শুধৰাব পাৰে, যিখন ঘৰৰ পৰিয়ালৰ সদস্যৰ মাজত সংস্কাৰী মনোভাব বিৰাজিত, তেনে এখন ঘৰেই

(আঠপৃষ্ঠাত চাওক)

# ২০২২ অসমৰ বাবে আশা

আদি অনলাইনযোগে দিয়াৰ ব্যৱস্থা কৰাৰ ফলত এতিয়ালৈকে ৩.৫০ লাখ লোক উপকৃত হৈছে। এই মাহৰ ভিতৰতে পৰিবহণ বিভাগৰ আন ৭ টা সেৱা অনলাইনযোগে দিয়াৰ ব্যৱস্থা কৰা হ'ব। অহা ৩১ মাৰ্চৰ ভিতৰত পৰিবহণ বিভাগটোৰ কাম সম্পূৰ্ণৰূপে অনলাইনযোগে সম্পূৰ্ণ হ'ব। আভ্যন্তৰীণ জল পৰিবহণৰ ক্ষেত্ৰতো টিকট অনলাইনযোগে দিয়াৰ ব্যৱস্থা কৰা হৈছে। সেইদৰে ট্ৰেড লাইচেঞ্চো সম্পূৰ্ণৰূপে অনলাইনযোগে দিয়াৰ ব্যৱস্থা কৰা হৈছে। নিবনুৱা যুৱক-যুৱতীয়ে এতিয়া ঘৰতে বহি অনলাইনযোগে নিয়োগ বিনিময় কেন্দ্ৰত নাম পঞ্জীয়ন কৰিব পাৰে। এই ব্যৱস্থা প্ৰৱৰ্তনৰ ফলত ২৪ ঘণ্টাই চৰকাৰী কাৰ্যালয়ত কাম চলিছে। অহা তিনি বছৰৰ ভিতৰত সমগ্ৰ চৰকাৰখনেই প্ৰযুক্তিগত হৈ পৰিব ।পুৰণি মেনুৱেল ফাইলবোৰ শেষ কৰাৰ কৰাৰ কাৰণে আমি ১ ফেব্ৰুৱাৰীৰ পৰা 'প্ৰজেক্ট সম্ভাৱনা' আৰম্ভ কৰিম। ইয়াৰ লগে লগে চৰকাৰত মেনুৱেল পদ্ধতিটো নাথাকিব। সকলো সম্পূৰ্ণৰূপে প্ৰযুক্তিগত হৈ পৰিব। তেওঁ আৰু কয় যে কেন্দ্ৰীয় চৰকাৰে এই বছৰ মূলধনী ব্যয় ১৩ হাজাৰ কোটি টকা কৰাৰ লক্ষ্য বান্ধি দিছে। ৰাজ্য চৰকাৰে সেই লক্ষ্য অতিক্ৰমি প্ৰায় ২০ হাজাৰ কোটি টকা স্পৰ্শ কৰাৰ দিশে অগ্ৰসৰ হৈছে। বহিঃসাহায্য প্ৰাপ্ত প্ৰকল্পৰ ক্ষেত্ৰতো অসম যথেষ্ট আগবাঢ়িছে। বিশ্ববেংকে ইতিমধ্যে সৰু সৰু দলং নিৰ্মাণৰ বাবে চাৰি হাজাৰ কোটি টকা দিছে। সেইদৰে মথাউৰি নিৰ্মাণৰ বাবেও ৰাজ্য চৰকাৰে ধন লাভ কৰিছে। মেডিকেল কলেজসমূহক ছুপাৰ স্পেচিয়েলিটী কৰাৰ বাবেও জাইকাই প্ৰকল্প ধৰিছে। তেওঁ লগতে কয় যে কাজিৰঙাত ৩৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এলিভেটেড কৰিড'ৰ নিৰ্মাণৰ ক্ষেত্ৰতো যথেষ্টখিনি কাম আগবাঢ়িছে। সেইদৰে মিছাৰ পৰা তেজপুৰলৈ সুৰংগৰে ৰে'ল আৰু স্থলপথ নিৰ্মাণৰ ক্ষেত্ৰতো কোনোবা এটা দিনত ভাল খবৰ আহিব বুলি উল্লেখ কৰি তেওঁ কয় যে বিষয়টো বৰ্তমান এডভান্স ষ্টেজত আছে। সামাজিক খণ্ডৰ আঁচনিৰ ক্ষেত্ৰতো এই বছৰটো গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অৰুণোদয়, বৃদ্ধ পেন্সন, বিধৱা পেলন, দিব্যাংগ পেন্সনৰ ধন প্ৰতিমাহে ১০ তাৰিখেই হিতাধিকাৰীসকলে বেংক একাউণ্টযোগে লাভ কৰি আহিছে। মাইক্ৰ' ফাইনেঞ্চৰ ঋণ ৰেহাইৰ ফলত এতিয়ালৈ ১১ লাখ মহিলা উপকৃত হৈছে আৰু নতুন বছৰটোত ১০ লাখ মহিলা উপকৃত হ'ব। সেইদৰে নতুন বছৰটোত ৰাজ্যখনৰ ১০ লাখ দুখীয়া মানুহৰ গৃহ নিৰ্মাণ হ'ব। এই নতুন বছৰটোতে নামৰূপ সাৰ কাৰখানা পুনৰ উৎপাদনক্ষম হোৱাৰ আশা প্ৰকাশ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বৰ্তমান বিষয়টো অন্তিম পৰ্যায়ত আছে।




# নতুন দিনৰ নতুন দিগন্ত

কবিতা শৰ্মা, দিল্লী




সময় গতিশীল। কেতিয়াও স্তব্ধ নহয় সময়ৰ গতি...সময়েই অতীত, সময়েই বৰ্তমান আৰু সময়েই ভবিষ্যত। সময় বাস্তৱ। সময়ে আমাক শিকাই, সময়ে বুজাই। সময়ৰ হাততে সকলো। সময় বাগৰাৰ এই গতানুগতিকতাত কোনো নতুনত্ব নাথাকিলেও, থাকে শুভ দিনৰ প্ৰতীক্ষাৰে আৰম্ভ হোৱা নতুন বছৰৰ আমেজ... নতুন দিনৰ প্ৰতিশ্ৰুতি লৈ আহে নৱ বৰ্ষ! ন-ন আশাৰে, বহু হেপাহেৰে, সলনি হয় বেৰত আৰি থোৱা কেলেণ্ডাৰখন। চাওঁতে চাওঁতে আমিও আহি বছৰটোৰ শেষ ক্ষণত উপস্থিত হলোঁ। ২০২১ক বিদায় দি ২০২২ ক আদৰাৰ সময় আহি পালে। ন-পুৰণিৰ এই সন্ধিক্ষণ নিশ্চিত ভাবে আমাৰ সকলোৰে বাবে আবেগময় আৰু হয়তো কিছু কৌতুহলপূৰ্ণও....

পুৰণি বছৰটো আমি যদি ভালকৈ বিশ্লেষণ কৰি চাওঁ, দেখা যায় ২০২১ৰ বৰ্ষটো, ২০২০ বৰ্ষৰ দৰেই সমগ্ৰ মানব জাতিৰ বাবেই এতি দুৰ্যোগপূৰ্ণ বৰ্ষ! ক'ভিদ মহামাৰীৰ দ্বিতীয়টো ঢৌৱে এই সময় চোৱাত প্ৰায় সকলোকে বিধ্বস্ত কৰি গ'ল। নামহীন শংকা আৰু ভয়েৰে আমি সকলোৱে দিনবোৰ পাৰ কৰিলোঁ। ২০২০ৰ কঠোৰ বন্দীত্বৰ জীৱন কিছু শিথিল হ'ল যদিও বহুতে স্ববন্দীত্বৰ জীৱন পাৰ কৰিলে। তথাপিও বহু লোক সংক্ৰমিত হ'ল। পৰিচিত-অপৰিচিত কিমান যে লোক হেৰাই গ'ল... কিমানে আপোনজনক হেৰুৱালে.... পিতৃ মাতৃ দুয়োকে হেৰুৱাই কিমান লৰা-ছোৱালী দিশহাৰা হ'ল... দেশৰ অৰ্থনীতি নিম্নগামী হ'ল... এইখতিয়ান ডাঙি ধৰা সহজসাধ্য নহয়। কেৱল মাত্ৰ এই আশাতেই সকলোৱে দিন পাৰ কৰিলে যে, দিনবোৰ আকৌ আগৰ দৰে স্বাভাৱিক হব। কিন্তু এতিয়া আকৌ আহিল ক'ভিদৰ তৃতীয়টো ঢৌ! অমিক্ৰনৰ! অৰ্থাত ক'ভিদ সংক্ৰমণৰ পৰা আমি এতিয়াও সম্পূৰ্ণকৈ মুক্ত হব পৰা নাই। ভবিষ্যত যে সম্পূৰ্ণ সুৰক্ষিত আৰু নিৰাপদ সেয়াও কব নোৱাৰি। কিন্তু সেইবুলি এয়াও নহয় যে কেবল মাত্ৰ ভয় আৰু শংকাত আমি জীৱন কটাম। বৰ্তমানৰ পৰিস্থিতিত এই কথা আমি সকলোৱে জনা উচিত যে এই সংক্ৰমণৰ পৰা ৰক্ষা পৰিবলৈ আমি প্ৰত্যেকেই প্ৰয়োজনীয় সাৱধানতা আৰু সতৰ্কতা অৱলম্বন কৰিব লাগিব। সম্পূৰ্ণ বৈজ্ঞানিক পদ্ধতিৰে এই মহামাৰীৰ লগত সহবাস কৰিবলৈ নিজক তৈয়াৰ কৰিব লাগিব, যেতিয়ালৈকে এই মহামাৰী ৰোধ কৰিবলৈ পৰ্যাপ্ত ব্যৱস্থা নহয়।

জীৱনৰ প্ৰতিটো মূহুৰ্ততে, পৰৱৰ্তী মূহুৰ্তই আমাৰ কাৰণে কি কঢ়িয়াই আনিব সেই বিষয়ে আমি সম্পূৰ্ণ অজ্ঞাত। অনিশ্চিত আমাৰ জীৱনৰ প্ৰতিটো মুহুৰ্ত! কিন্তু সেইবুলিয়েই জানো মানুহে জীৱন জীয়াবলৈ এৰি দিব? নতুন আশা আৰু নতুন সম্ভাৱনাৰে ভুমুকি মৰা নৱবৰ্ষৰ ন সুৰুযে বিলাই দিয়া পোহৰেৰে আমাৰ মনবোৰ আলোকিত কৰি আমিও জানো নতুন আশাৰে জীৱনৰ বাটত আগুৱাই যাব নোৱাৰো? জীৱনে তেওঁৰ লগতহে খেলা কৰে যিজন জীৱন যুঁজৰ পাকৈত খেলুৱৈ! দুখবোৰ সকলোৰে একে হলেও, সাহস আৰু উৎসাহ-উদ্দীপনা সকলোৰে বেলেগ বেলেগ। কোনোৱে যদি হতাশ হৈ ভাঙি পৰে কোনোৱে আকৌ সংঘৰ্ষ কৰি উজলি

(আঠপৃষ্ঠাত চাওক)

# A very happy new year to all of the people.

Uddipon Goswami




2020 and 2021 gone with so many sadness and with all bad things happened with all the world.. Understandable Lockdown a very big virus we all say co-rona. This virus takes the whole world into depression so many people died so many people are been in-fected now the new virus come omicron. This virus is seen so dangerous. So the government was go-ing to give the lockdown again. In this new year 2022 we need to fight with the virus. Always put your mask on, animals regularly and sanitize. The gone 2 years has been so bad but in this year all problems of all people will be solve all people will be happy and I wish that there will be no sort of money for all of the people. This year will be the best year. We need to pray that this year will be happy for all of the people. 2022 will be the year of hap-piness and of full of love. Thanku Your Grateful

# মোৰ জন্মদিনৰ অনুভৱ

ফখৰুদ্দিন আহমেদ




মোৰ প্ৰমানপত্ৰ মতে জন্মদিনটো হ'ল ত্ৰিশ ডিচেম্বৰ। চন আছিল ইং ১৯৭২ । সেই মৰ্মে ইং ২০২১ চনৰ ত্ৰিশ ডিচেম্বৰ তাৰিখে মই পঞ্চাশ বছৰত ভৰি দিলো। আব্বাৰ ডায়েৰী লিখা অভ্যাস আছিল। সেই সৰু কলেবৰৰ ডায়েৰীখনত আব্বাই লিখি থোৱা মতে মোৰ প্ৰকৃত জন্ম তাৰিখ আছিল ওঠৰ মাৰ্চ কিন্তু চন একেটাই। শতবৰ্ষ গৰকা সানোৱা প্ৰাথমিক বিদ্যালয়ৰ পৰা ইং ১৯৮২ চনত চতুৰ্থ শ্ৰেণী উত্তীৰ্ণ হোৱাৰ প্ৰমাণপত্ৰত তদানিন্তন প্ৰধান শিক্ষক, মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু প্ৰয়াত আলিছাহ উদ্দিন আহমেদ চাৰে বয়স উল্লেখ কৰিছিল ন বছৰ ন মাহ ন দিন বুলি। সেই ইং ১৯৮২ চনত সানোৱা এম ই মাদ্ৰাছাত নামভৰ্তি কৰি পঢ়ি থাকি ইং ১৯৮৮ চনত একেটা চৌহদতেই থকা সানোৱা হাই মাদ্ৰাছাৰ পৰা অসম হাই মাদ্ৰাছা পৰীক্ষাত অৱতীৰ্ণ হৈছিলো। অসম হাই মাদ্ৰাছা পৰীক্ষাৰ প্ৰবেশ পত্ৰত মোৰ জন্ম তাৰিখটি ত্ৰিশ ডিচেম্বৰ বুলি উল্লেখিত আছিল ।

সাম্প্ৰতিক যুগ ডিজিটেল যুগ। এই যুগত চ'চিয়েল মেডিয়াৰ জৰিয়তে নিজৰ আপোনজনক জন্মদিনৰ শুভেচ্ছা জনোৱাটো এটি স্বভাব সিদ্ধ বিষয় হৈ পৰিছে। লগতে কেৱল চহৰ বা নগৰতে নহয় গাঁৱলীয়া সমাজ জীৱনটো মহা ধুমধামেৰে জন্মদিন পালন কৰা দৃষ্টিগোচৰ হয়। মানি ল'বলৈ বহুতে টান পাব যদিও বাস্তৱ জীৱনত জন্মদিন মহা ধুম ধামেৰে পালন কৰা সকলে কিন্তু নিজৰ জীৱন ব্যৱস্থাত প্ৰয়োজনীয় কৰ্তব্য আৰু দায়িত্ববোধৰ প্ৰতি তেনেকৈ সচেতন নহয়। বিভিন্ন ৰঙৰ বেলুন ফুলাই আঁৰি দি দিনটি জন্মদিন পালন কৰি দিনান্তত বেলুনবোৰ ফুটাই পেলোৱাৰ দৰেই কৰ্তব্য আৰু দায়িত্ববোধৰ প্ৰতি তথাকথিত পাশ্চাত্যৰ অনুকৰনত থকা মানুহবোৰ সমাজ ব্যৱস্থাৰ প্ৰতি অসচেতন। সেই কাৰণেই কিজানি বিশেষকৈ অসমৰ সমাজ ব্যৱস্থাত থকা মানবীয় প্ৰমূল্যবোধৰ সলনি অমানবীয় কৰ্মকাণ্ড সংঘটিত হ'বলৈ আৰম্ভ কৰিছে। সেয়া অনিমেষ ভূঞাৰ দিন দুপৰতে হোৱা হত্যাকাণ্ডৰ পৰা আৰম্ভ কৰি হিন্দুত্ববাদৰ বেপাৰী সত্যৰঞ্জন বৰাই প্ৰকাশ্যভাবে সংবাদ মেলত মুছলমানৰ মুণ্ড চিঙি ৰক্ত পান কৰিবলৈ কুণ্ঠাবোধ নকৰো বুলি কোৱালৈকে। ইয়াৰ মাজত থকা বিস্তৃত খতিয়ানৰ বিশ্লেষন কৰিলে দেখা যায় সাংবিধানিক ভাবে থকা বাক্ স্বাধীনতাৰ অপপ্ৰয়োগ আৰু অসমৰ সমাজ জীৱনত ঘটি থকা উৎসৱ মুখৰতা । জন্মদিন পালন কৰাৰ পৰা বিভিন্ন দল, সংগঠন, ৰাজনৈতিক দল, ধৰ্মীয় অনুষ্ঠান ইত্যাদিৰ নামত অনুষ্ঠিত সভাবোৰ। যিবোৰ সভাই প্ৰায়েই মেলামুখী ৰূপলৈ পৰিৱৰ্তিত হয় লগতে মূল লক্ষ্য আৰু উদ্দেশ্যৰ পৰা প্ৰায়েই বিচ্যুত হৈ হে সমাপ্তি হয়। সমাজ জীৱনত বিয়পি পৰিব লগা মূল লক্ষ্য আৰু উদ্দেশ্যৰ পৰিৱৰ্তে কাৰোবাৰ উদ্দেশ্য প্ৰণোদিত স্বাৰ্থ জড়িত বিষয়বোৰ প্ৰচাৰিত হৈ সমাজ জীৱনক বিপথে পৰিচালিত কৰে। এয়া আমাৰ সমাজ ব্যৱস্থাত দেখি থকা নিত্য নৈমত্তিক কৰ্মকাণ্ড হৈ পৰিছে।কোনো এটি জাতি উৎসৱ প্ৰবন হৈ পৰাৰ তাত্বিক কথাটিয়ে হ'ল সেই জাতিটোৱে নিজৰ গুণ গৰিমাক হেৰুৱাবলৈ গৈ থকা অৱস্থাৰ পৰিবেশৰ সৃষ্টি কৰি লোৱা।

ভাৰতবৰ্ষৰ প্ৰাক্তন ৰাষ্ট্ৰপতি, মিছাইলমেন খ্যাত বিজ্ঞানী প্ৰয়াত ডঃ এ পি জে আব্দুল কালামে তেখেতৰ জন্ম দিনটোক বন্ধ ঘোষনা নকৰিবলৈ অনুৰোধ কৰি এটি কৰ্মময় দিন হিচাপে পৰিগনিত কৰিবলৈ উপদেশ প্ৰদান কৰিছিল। অসমৰ সভ্যতা, সংস্কৃতিক ৰক্ষাৰ বাবে টেটু ফালি চিঞৰি থকা মানুহৰ সম্প্ৰতি অভাব নাই। নিতৌ কিমান উদ্দেশ্যত কিমান দল, সংগঠনৰ জন্ম হৈ আছে তাৰো হিচাপ হয়তো নোলাব। চৰকাৰেও বিভিন্ন ক্ষেত্ৰত লোৱা পদক্ষেপ সঠিক নহয়। উদাহৰন স্বৰূপে অসমক মদ মুক্ত কৰাৰ পদক্ষেপ লোৱাৰ বিপৰীতে অসমৰ চুকে কোণে মদৰ দোকানৰ অনুজ্ঞা পত্ৰ দিছে। মানে অসমৰ ৰাইজক মদ সুলভ কৰি দিছে। এতিয়া আকৌ বাটে পথে মদ সেৱনৰ তদন্তৰে জৰিমনাও ভৰাইছে। তাকে নকৰি বিহাৰ বা আন কিছুমান ৰাজ্যৰ দৰে মদ মুক্ত অসম গঢ়াৰ পদক্ষেপ ল'লে চৰকাৰৰ কিমান ক্ষতি হ'ব? খুব বেছি মদ বিক্ৰীৰ কৰ খিনিৰ পৰা বঞ্চিত হ'ব। কিন্তু মদ মুক্ত অসমে অসমৰ পৰৱৰ্তী প্ৰজন্মক ভাবিব নোৱাৰা ধৰণে উপকৃত কৰিব।

প্ৰতি বছৰে মই মোৰ জন্মদিনটো বিভিন্ন ধৰণৰ কৰ্তব্যত ব্যস্ত থাকি কটাও। নিজৰ ঘৰত, গাঁৱত নাইবা মই কাম কৰা বিদ্যালয়ত বা কোনো স্থানতেই মই মোৰ জন্মদিনৰ আনুষ্ঠানিকতা নকৰো। এই বেলিও নকৰিলো। বিগত ইং ত্ৰিশ ডিচেম্বৰ, ২০২১ তাৰিখ বৃহস্পতি বাৰে ৰাতিপুৱা ঘৰুৱা কাম কাজ সামৰি মই কাম কৰা দৰং জিলাৰ ছিপাঝাৰ

(দহ পৃষ্ঠাত চাওক)


জনতাৰ চৰকাৰ
my GOV मेरी सरकार
ই-টিকেটিং ব্যৱস্থা
উমানন্দ ফেৰী সেৱাৰ বাবে
সহজ আৰু সুবিধাজনক টিকট বুকিং
ছপাবিহীন টিকটেৰে পৰিবেশ অনুকূল বুকিং ব্যৱস্থা
ঘাটৰ কাউণ্টাৰত যাত্ৰীৰ সমাগম হ্ৰাস
ৰাজহ লোকচান নিয়ন্ত্ৰণ
ই-টিকট কেনেদৰে লাভ কৰিব?
asiwt.in ত ম'বাইল নম্বৰৰ জৰিয়তে পঞ্জীয়ন কৰক
ব্যক্তিগত বিৱৰণ প্ৰদান কৰক
যাত্ৰাৰ তাৰিখ, উৎস আৰু গন্তব্যস্থান বাছনি কৰক
ফেৰী বাছনি কৰি যাত্ৰীৰ বিৱৰণ যোগ দিয়ক আৰু মূল্য পৰিশোধ কৰক
ই-টিকট ডাউনলোড কৰক
হেল্পলাইন নম্বৰ
1800-889-4717
JANASANYOG- 2978/21
পঞ্জীয়ন কৰক
assam.mygov.in
/mygovassam
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Follow us /@diprassam
https://dipr.assam.gov.in/

# নতুন বছৰৰ সংকল্প

সন্তানে কিবা জটিল সন্ধিক্ষণত পৰি মানসিক ভাৰসাম্য হেৰুৱাব পাৰে, তেনে সন্তানক কেনেকৈ মৰম, চেনেহেৰে সুস্থ পৰিবেশলৈ আনিব পাৰি তাৰ ব্যৱস্থা কৰিব লাগে, নহ'লে কেতিয়াবা তেনে সন্তানে আত্মহননৰ দৰে চৰম পন্থা বাছি ল'ব পাৰে। এই ক্ষেত্ৰত মনোবি:নীসকলৰ পৰামৰ্শ ল'ব পাৰি। জীৱনত প্ৰত্যাহ্বান থাকিবই। সেই প্ৰত্যাবানক কেনেকৈ সহজে গ্ৰহণ কৰিব পাৰে তাৰ বাবে সৰুৰে পৰাই শিকাব লাগিব। বিশেষকৈ এগৰাকী কম বয়সৰ ছাত্ৰ-ছাত্ৰীয়ে যেতিয়া এই পথটো বাছি লয় তেতিয়া তেওঁৰ হয়তো তাৰ পৰা হোৱা মৃত্যুটো অনুধাৱন কৰিব পৰা ক্ষমতা নাথাকে ইয়ো এটা আত্মহননৰ কাৰণ হ'ব পাৰে। বাৰু যি কি নহওঁক এতিয়া নতুনক আদৰাৰ সময়।চাৰিওফালৰ নৈসৰ্গিক প্ৰাকৃতিক শোভাত নিজকে বিলিন কৰি দিয়াৰ সময়। একঘেয়ামী জীৱনশৈলীৰ পৰা শীতৰ কুঁৱলী সনা মিঠা আমেজ লোৱাৰ সময়। গতিকে এনে আমেজ সনা শীতৰ সেমেকা দিনকেইটাত অনুভৱৰ উম গাত মেৰিয়াই হাতত এপিয়লি গৰম চাহৰ লগতে কিছু ভাল লগা ৰসাল কথাৰে নতুনক আদৰো আহক।

# অপেক্ষা

প্ৰস্তুতি শৰ্মা
গোলাঘাট বাণিজ্য মহাবিদ্যালয়



জোনাক সৰা প্ৰতিটো ৰাতি সি আজিও উচুপি উঠে। তাৰ ভগ্ন হৃদয়ৰ কাহিনীবোৰ বুকুত লৈ। বিশাল আকাশৰ একোনত ৰৈ থকা জোনবাই জনীক সি কেতিয়াবা প্ৰশ্ন কৰে মই কিয় সফল হ'ব নোৱাৰিলো বাৰু? মই ইমান বেয়া নে? আজিও জানা তাইক বৰ ভাল পাওঁ অ? কিন্তু কিয় হ'ল মোৰ লগত এনেকুৱা? প্ৰেম জানো পাপ হ'ব? কিয় কিয় প্ৰেম কৰাটো জানো অপৰাধ। অ মোৰ ধুনীয়া জোন জনী কিয় ইমান তোমাৰ মন আজিও অভিমানী। প্ৰতিটো ৰাতি সি বাট চাই হয়তো ৰাতিৰ শেষত নতুন প্ৰভাত অহাৰ দৰে। তাইও তাৰ জীৱনলৈ আহিব বুলি।

# নতুন দিনৰ নতুন দিগন্ত

উঠে। ঠিক যেনেকৈ প্ৰতিদিনে উদিত হোৱা সুৰুযে ন-পুৰণিৰ সন্ধিক্ষণৰ এই বিশেষ দিনটোত সলনি কৰে বছৰটোৰ ঠিকনা, ঠিক তেনেকৈয়ে সলনি হয় মানুহৰ জীৱনবোধ... নতুনৰ পৰশত সময়ে লৈ অহা পৰিৱৰ্তনে আমাকো বহু কথাই শিকাই যায়। কেৱল মুখৰ কথাৰে জীৱন নচলে... জীৱনে বিচাৰে কৰ্ম। এই সময় কৰ্ম সংস্কৃতিৰ। বিভিন্ন সমস্যাৰ সমাধানৰ পথ নিজেই বিচাৰি নিজৰ জীৱন নিজেই গঢ়াৰ সময় এয়া। এই কথা সত্য যে জীৱনটো সহজ নহয়। কিন্তু জীৱনৰ জটিলতাবোৰ আঁতৰোৱাৰ বাবে সুযোগ আনি দিয়া নতুন বছৰটোতে, সময়ৰ সৈতে জীৱন আগুৱাই নিব পৰাটোৰেই এই যান্ত্ৰিক পৃথিৱীত এক ডাঙৰ প্ৰত্যাহ্বান.... এই কলা যিজনে শিকিছে তেওঁৰেই জীৱন জিনিব পাৰিছে! আধুনিক চিন্তাৰে পৰিপুষ্ট জীৱনৰ গৰাকী হোৱাৰো সংকল্প লোৱাৰ সুযোগ আনি দিয়ে এই নতুন বছৰেহ! চাবলৈ জানিলে আমাৰ এই পৃথিবী ধুনীয়া...বিনন্দীয়া... সকলো আছে ইয়াত। সুখ-দুখ, হাঁহি- কান্দোন, ভালপোৱা-ঘৃণা, আশা-নিৰাশা। এই সকলোবোৰ আপেক্ষিক। কিন্তু আমি কেনেকৈ অনুভৱ কৰো, জীৱনক কিদৰে গ্ৰহণ কৰো সেয়াই প্ৰকৃত সত্য! অনুভৱৰ ছন্দতে লুকাই থাকে প্ৰাচুৰ্য। আকাশৰ বুকুত, ডাঁৱৰৰ বোকোচাত থকা সীমাহীন লক্ষ্যৰ দৰে।

ভাল লাগে যেতিয়া নৱবৰ্ষৰ প্ৰথমটো পুৱাৰ ভাগতে দেখা পাওঁ মন্দিৰত লানি নিচিগা মানুহৰ শাৰী। কাৰণ, মুহুৰ্তে-মুহুৰ্তে মন্দিৰৰ পৰা ভাহি অহা ঘণ্টা ধ্বনি, ধূপ-ধুনাৰ পবিত্ৰ সুগন্ধৰ লগতে থাকে বছৰটোৰ কুশল কামনাৰে নেদেখা জনক মিনতী জনোৱাৰ আশ্বাস আৰু বিশ্বাসৰ চেতনা। ভাল লাগে সুখ সমৃদ্ধিৰে ভৰপূৰ কামানাৰে বিনিময় হোৱা নতুন বছৰৰ শুভেচ্ছা বানীবোৰ... ভাল লাগে পাহৰণি অতীতৰ গৰ্ভত হেৰাই যোৱা দুখৰ দিনবোৰৰ পাছত ভাল দিনৰ আশাত বন্ধী হোৱা নতুন বছৰৰ এই প্ৰথমটো দিন... নতুন বছৰৰ নতুন প্ৰত্যাশাই সকলোকে আশাবাদী কৰি তোলক। আশা কৰাৰ দৰে সকলোৰে জীৱন মলিনতা মচি নৱবৰ্ষই কঢ়িয়াই আনক নতুনত্ব আৰু সফলতাৰ বতৰা... সকলোৰে বাবে শুভ হওঁক নৱ বৰ্ষ--২০২২--

# ৩ জানুৱাৰীৰ পৰা১৫ পৰা ১৮ বছৰৰ

তালিকা প্ৰস্তুত কৰিবলৈ নিৰ্দেশ দি উপায়ুক্তগৰাকীয়ে কয় যে ক'ভিডৰ পৰা ৰক্ষাৰ বাবে শিক্ষক-শিক্ষয়িত্ৰীসকলে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত প্ৰতিষেধক গ্ৰহণ কৰাৰ বাবে সজাগতা সৃষ্টি কৰিব লাগিব। অতিৰিক্ত উপায়ুক্ত (স্বাস্থ্য) ড° ধ্ৰুৱজ্যোতি হাজৰিকাই ২০০৭ চন বা তাৰ আগত জন্মগ্ৰহণ কৰা সকলো ছাত্ৰ-ছাত্ৰী ক'ভিড প্ৰতিষেধক গ্ৰহণৰ বাবে উপযুক্ত হ'ব বুলি সভাত উল্লেখ কৰে। অতিৰিক্ত উপায়ুক্ত সুস্বপ্না কাকতিৰ উপৰি বিদ্যালয় পৰিদৰ্শক, জিলা স্বাস্থ্য বিভাগৰ বিষয়ববীয়াসকলে সভাত অংশগ্ৰহণ কৰে।

# ভাৰতত অ'মিক্ৰনত আক্ৰান্তৰ

জন লৈ বৃদ্ধি পায়। মহাৰাষ্ট্ৰত ৪৬০ জন লোক অ'মিক্ৰণত সংক্ৰমিত হৈছে। দিল্লীত ৩৫১ জন লোক আৰু গুজৰাটত ১৩৬ জন লোক আক্ৰান্ত হৈছে। লক্ষণীয়ভাৱে ভাৰতত ৫৬০ জন লো অ'মিক্ৰণ ঘটনা ডিচচাৰ্জ !পুনৰুদ্ধাৰ কৰা হৈছে বা প্ৰব্ৰজন কৰা হৈছে।

# শিশুৰ আগ্ৰহ, মনোযোগ, অভ্যাস, যোগ্যতা

পূৰ্ববাল্যকালীন এটি শিশুৰ বাবে উপযুক্ত। কেৱল কিতাপৰ জ্ঞানে শিশুক ভৱিষ্যতে প্ৰকৃত মানুহ কৰি গঢ়ি নোতোলে। পূৰ্ববাল্যকালীন সময়ত শিশুটি কোনটো বিষয়ৰ প্ৰতি আগ্ৰহী সেইটো জানি লৈ তাৰ প্ৰতি মনোনিৱেশ কৰিবলৈ পিতৃ-মাতৃয়ে উৎসাহ যোগাব লাগে। কথা হ'ল, আগ্ৰহ আৰু মনোযোগৰ ওচৰা-ওচৰি সম্পৰ্ক। আগ্ৰহৰ অবিহনে মনোযোগ নাবাঢ়ে আকৌ মনোযোগ ন'হলে কোনো কথা বা বিষয় শিকোৱা সম্ভৱ নহয়। শিকাব নোৱাৰিলে যোগ্যতা অৰ্জন নহয়। গতিকে শিশুক ভাল কথাবোৰৰ প্ৰতি আগ্ৰহী কৰিবলৈ সিহঁতে ভাল পোৱা ধৰণে আদৰ, মৰম, যত্নেৰে প্ৰয়োজন অনুশৰি শাসনেৰে যত্ন কৰিব লাগে। এইখিনিতে উল্লেখ কৰিব লগা যে শাসন মানেই মাৰ-কিল, গালি-শপনিক নুবুজায়।এটা কাম পুনৰাবৃত্তি কৰাকে অভ্যাস বোলা হয়। ধৰিলওক শিশুটিয়ে আখৰ লিখিবলৈ আগ্ৰহ প্ৰকাশ কৰিলে। আপুনি সুন্দৰ পৰিৱেশ সৃষ্টি কৰি তাৰ মনোযোগ বঢ়ালে। কিন্তু, এতিয়া প্ৰয়োজন হ'ব অভ্যাস কৰোৱাৰ। অভ্যাসৰ অবিহনে শিশুটিয়ে আখৰ লিখা কামত নিপুণতা লাভ কৰিব নোৱাৰিব, আৰু খৰকৈ লিখিব নোৱাৰিব। সৰুতেই শিশুৱে যিবোৰ কামৰ অভ্যাস কৰে সেইবোৰৰ প্ৰভাৱ গোটেই জীৱন জুৰি থাকে। শৈশৱ কালেই অভ্যাস গঠনৰ আচল সময়। কেৱল আখৰ লিখা বুলিয়েই নহয়, শিশুৰ সু-অভ্যাসবোৰ সৰুৰে পৰা অনুশীলন কৰিবলৈ পিতৃ-মাতৃ যত্নপৰ হ'ব লাগে যাতে সময়ত গৈ ল'ৰা-ছোৱালীৰ বদ্ অভ্যাসৰ বাবে এখন সমাজে হাহাকাৰ কৰিব লগা নহয়। শিশুৰ সজ অভ্যাস অনুশীলনৰ বাবে পিতৃ-মাতৃয়ে কোনো অজুহাত দেখুওৱা উচিত নহয়। কৰ্মৰত পিতৃ- মাতৃয়ে যিখিনি সময় পাই সেইখিনি সময় কেৱল শিশুটিৰ বাবেই ত্যাগ কৰিব লাগিব। নিয়মানুবৰ্তিতা, নিষ্ঠাবান, সত্যবাদিতা, কৰ্তব্য পৰায়ণতা আদি সু-অভ্যাসবোৰ আহৰণৰ বিষয়ে অনবৰতে কৈ থাকিব লাগিব। জোখতকৈ অধিক মৰম কৰা সন্তানে অভ্যাস অনুশীলন কৰিবলৈ মন নকৰিব। সন্তান এটি সজৰূপে গঢ়িবলৈ নিজৰ ব্যক্তিগত জীৱনৰ সু-অভ্যাসবোৰও ক'ব লাগে। সময়ানুৱৰ্তী হোৱাটো আটাইতকৈ প্ৰয়োজনীয় গুণ। ৰাতি সোনকালে শোৱা, পুৱা সোনকালে উঠা, সময়ত আহাৰ খোৱা, গা -ধোৱা, দৈনিক ঘৰুৱা ৰুটিন মতে কাম কৰাৰ অভ্যাসে শিশু এটিক মানৱ-সম্পদৰ শাৰীলৈ গৈ থকা বাটত প্ৰধান সহায়ক হয়। তাৰোপৰি আপোনাৰ শিশুটিৰ মনোজগতখনৰ প্ৰতিমুহূৰ্তৰ খবৰ ৰখাৰ দায়িত্বও আপোনাৰ। শিশুটিৰ চাল-চলন, কথা-বতৰাত তাৰ মনটো প্ৰতিফলিত হৈ থাকিব। গতিকে পিতৃ-মাতৃ বা অভিভাৱক সকলে অতি ওচৰৰ পৰা শিশুৰ মনটো পঢ়ি তাক ভালৰ দিশত আগবঢ়াই নিব লাগিব। ভাল কাম ভাল আচৰণৰ অভ্যাস কৰাবলৈ আমি আমাৰ সন্তানৰ যিমান কম দূৰত্বত অৱস্থান কৰি লওঁ, শিশু কিশোৰৰ বেয়া কামৰ পৰা আঁতৰাবলৈ আমি তাতকৈ বেছি ওচৰৰ পৰা চকু দিব লাগিব। কৈশোৰকালীন এটি সন্তানৰ পৰা তাৰ মাতৃগৰাকী ইমান নিৰ্দিষ্ট দূৰত অৱস্থান কৰিব নালাগে যে সি তাৰ বেয়া অভ্যাস বোৰক মাক-দেউতাকৰ চকুত ধুলি দি ঢাকি ৰাখিব পাৰে। আগ্ৰহ প্ৰবৃত্তিত। তাতে বেয়া কামৰ প্ৰতি আগ্ৰহ স্বাভাৱিকভাৱে সহজে হয়। সেইবোৰক কোনেও যত্নৰে অনুশীলন কৰাব নালাগে। আজি-কালি শিশুৰ অপকাৰী নানান খোৰা বস্তু, দৃশ্যাৱলী সহজলভ্য। বাল্যকালীন শিশুৱে বহুত বেছিকৈ আত্মগোপন কৰিব নোৱাৰে। গতিকে নিজৰ সন্তানটিৰ মন পঢ়ি তাক শাসন কৰক, মৰম কৰক, উৎসাহিত কৰক। প্ৰয়োজন হ'লে বেয়া আগ্ৰহক অলপ কঠোৰ হৈ আঁতৰাওক। ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত ভাল দিশ সমূহৰ প্ৰথমে আগ্ৰহ, তাৰ পাছত মনোযোগ, লাহে লাহে অভ্যাস কৰাৰ পাছত স্বাভাৱিকতে আহি পৰে দক্ষতা ই এটা অতি সুক্ষ্ম আৰু সাৰধান প্ৰক্ৰিয়া। সাধাৰণতে আমি সকলোৱেই কিছুমান নিৰ্দিষ্ট বিষয়তে সকলো ল'ৰা-ছোৱালীৰ যোগ্যতা বিচাৰোঁ। সকলো ল'ৰা-ছোৱালী ডাক্তৰ বা ইঞ্জিনিয়াৰ বা প্ৰৱক্তা হওক। এইটো এটা ভুল আকাংক্ষা। আমি অভিভাৱকসকলে নিজৰ উচ্চাকাঙ্খা সন্তানৰ ওপৰত জাপি দি সদায় সমাজে জটিল বুলি ভবা বিষয়টোত যোগ্যতা অৰ্জন কৰাৰ আশা কৰি বহুত সন্তানৰ মূৰত বলে নোৱাৰা শিল জাপি দি সিহঁতক উপায়বিহীন কৰোঁ। আনকি এনে অভিভাৱক লগ পাইছো যি তেওঁৰ ল'ৰাটো বা ছোৱালীজনীয়ে আনে উজু বুলি ভবা বিষয় (অসমীয়া, ৰাজনীতি বিজ্ঞান, বুৰঞ্জী আদি) মেজৰ লৈ পঢ়িছে বুলি ক'বলৈ বেয়া পায়। তেনে মনোভাৱে ল'ৰা-ছোৱালীক দোমোজাত পেলাই। হীন-মন্যতাত ভোগাই। বিশেষ দক্ষতা অৰ্জন কৰিলে পৃথিৱীত সকলো ভাল কাম, ভাল বিষয়ৰে সমান আদৰ আৰু সন্মান আছে। কিয়নো যোগ্যতা যিহেতু সকলো মানুহৰে একে নহয় সেয়ে যি যিটো বিষয়ত অধিক মনোযোগ দিয়ে তাক সেই বিষয়কে লাগি থাকিবলৈ দিব লাগে। যিকোনো কামত লাগি থাকিলে ধৈৰ্য বাঢ়ে। মনলৈ অদৰকাৰী ভাৱ-চিন্তা নাহে। এটা কামত ধৈৰ্য থকাজনে আন কামতো মন দিব পাৰে। কেতিয়াবা দেখা যায়, ছবি আঁকি খুউব ভালপোৱা শিশুটোৱে আন বিষয়তো গভীৰভাৱে মনোনিৱেশ কৰিব পৰা হয়গৈ। সেয়ে বেছি সময় ছবি আঁকি থকা শিশুটিক কেতিয়াও ক'ব নালাগে, -'এইটোৱে অনবৰতে আঁকি-বাঁকি জানো কি কৰিবগৈ'। অনুশীলন কৰাৰ অভ্যাস মহত্তম গুণ। যি মানুহক মহৎ কৰে। সমাজখনক সুন্দৰ আৰু সুখকৰ কৰি ৰাখিবলৈ আমাক নিষ্ঠাবান, ধৈৰ্যশীল, সৎ ন্যায়-নীতি পৰায়ণ এজাক শিশু লাগে। এইজাক শিশু গঢ়োঁতে অভিভাৱকৰ যদি কষ্টও হয় তেনে কষ্টও আমাৰ বাবে অতি প্ৰয়োজনীয়। নৱ-বৰ্ষ সমাগত। বছৰ আহিছে গৈছে। বোল-বচন নোহোৱাকৈয়ে আমাৰ মূৰৰ ওপৰেদি পাৰ হৈ গৈ থাকিব বছৰ। বিশ, একৈশে পৃথিৱীবাসীক দুখ-কষ্ট দিলেও শিকিবলগীয়াও দিলে বহুত। জটিল পৃথিৱীখনত বৰ্তি থাকিব পৰাকৈ আমাৰ উত্তৰপুৰুষক উপযুক্ত কৰি গঢ়ি তুলিবলৈ নৱ-বৰ্ষৰ প্ৰাক্-ক্ষণতে আমি সংকল্পবদ্ধ হওঁ। দুহেজাৰ বাইশ এ সকলোলৈকে সুখ-সমৃদ্ধি, শান্তিৰ বতৰা কঢ়িয়াই আনক।

# নৱবৰ্ষৰ আশা


অখিল কুমাৰ বৰুৱা যোৰহাট




প্ৰিয়জনলৈ নৱবৰ্ষৰ অভিনন্দন
নৱবৰ্ষ ২০২২ হওঁক প্ৰতিভাত
সুখ চন্দাত, শান্তিৰ নৈয়াত
কৰ্ম, ধৰ্ম জিলিঙনিৰ শুদ্ধ জোলোঙাত
স্বাস্থ্য ঘেৰি থওক ভৰি ৰওক সোনালী বাটত
নিদ্ৰা যাওক জোনৰ কাৰেঙত
হেপিয়াই থেপিয়াই নুফুৰিবা বেবেৰী বাঙত।
ঘাত-প্ৰতিঘাত নহওঁক শেতেলি কোলাত
দিগন্ত জোৰা তামানাবোৰ নাশিবলৈ
অবিশ্ৰান্ত হিংস্ৰ তৰঙ্গৰ বিলুপ্তি সাধিবলৈ আহা..সদলবলে
আহা..সমস্বৰে শংখনাদ কৰো
সমলয় ঐক্যতানৰ বনিত ধ্বনিত
খৰ্ব হওক আসুৰিক গৰ্ব
প্ৰেম প্ৰীতি সত্য শান্তি সমন্বয়ৰ
অনন্য তোৰন
হে প্ৰভু দয়াময় খাতিছো তোমাক
দকমকাই উঠক ২০২২ নিত্যনৰ প্ৰভাত
নকৰিবা বিড়ম্বনা বিছাৰিছো মনোৰমক
এইয়ে কামনা
সুশীতল জলপ্ৰবাহ বহ্নিমান কৰিবলৈ
হেলাৰঙে অতিক্ৰমি ঘাত-প্ৰতিঘাত
ফুটে যদি জোং কাঁইটেৰে, ধৈৰ্য্যৰে যাম আমি আগবাঢ়ি
স্থিতপ্ৰজ্ঞে জোঙাল কাঁইট দুহাতেৰে পেলাম আচাৰি
মানবী জনম হেনো কাঁইটীয়া
সংকলময় পথ
নিয়তিৰ বিধান ইটো
চলাই যাব লাগিব সত্য শুদ্ধ
অবয়বে জীৱনৰ ৰথ

# মৰমীক লৈ..

নন্দেশ্বৰ মিলি



তালে তালে
তোমাৰ নাচে
ৰুণুক-জুনুক
পঁপুৰ বাজে
মোৰ মনে-প্ৰাণে
মৰমী
তোমাকে বিচাৰে..
বিলৰ পাৰে পাৰে
ৰিব্ ৰিব্ মলয়া বলে
তোমাৰ দুষ্টামি চাৱনিয়ে
মৰমী
মোৰ নিদ্ৰা হৰে..
ক্ষণে ক্ষণে
প্ৰহৰে প্ৰহৰে
ভালপোৱাৰ সমীকৰণ
মোৰ হৃদয়ত জাগে
মৰমী
তোমাৰ বাবে।

# অনুভৱ একান্ত আন্তৰিকতাৰে সময় ঠিক এনেকুৱাই

মানসী মিশ্ৰ



আজি ইংৰাজী নতুন বছৰটোৰ পহিলা মাহৰ প্ৰথমটো দেওবাৰ। ইংৰাজী বছৰটো এইবাবেই আমাৰ বাবে অধিক গুৰুত্বপূৰ্ণ হৈ পৰে যিহেতুকে আমি এই মাহ কেইটাক অনুসৰণ কৰিয়েই সময়ৰ সতে আগবাঢ়ি যাওঁ।

সময় ঠিক এনেকুৱাই। মেন এখন খৰস্ৰোতা বোৱতী নৈ। কতো কাৰোবাবে লবলৈ সময় নাই। ঠিক এনেদৰে আগবাঢ়ে প্ৰতিটো দিন, তাৰ পিছত দিনসমূহ লগলাগি মাহ হয় আৰু এনেকৈয়ে বাৰটা মাহ খৰ গতিৰে পাৰ হৈ যোৱাৰ পিছত বছৰটোৰ শেষ হৈ যায়। প্ৰতি বছৰে একত্ৰিত ডিচেম্বৰৰ দিনা হে আমি হিচাপনিকাচ কৰোঁ, বছৰটোৱে আমাক কি দিলে, কি নিলে।

আকৌ সকলোৱে আদৰি লয় এটি নতুন বছৰক। কোনো এটা বছৰেই সম্পূৰ্ণভাৱে সফল নহয়। কিয়নো বছৰৰ কোনোবাটো দিনে কাৰোবাৰ বাবে লৈ আনে বুকুভৰা বিষাদ, কাৰোবাৰ বাবে সীমাহীন আনন্দ। কাৰোবাৰ বাবে বিফলতাৰ, কাৰোবাৰ বাবে সফলতা। সেইবাবেই হয়তো বছৰৰ প্ৰতিটো দিনতেই আমাৰ বাবে বহুত মূল্যবান।

এই সকলো বোৰ জানি ও আমি ৰৈ দিম জানো। কেতিয়াও নিদিওঁ। আমি সকলোৱে সমুখলৈ আগবাঢ়ি যাবলৈ লাগিব। কিয়নো আমাৰ সকলোৰে সমুখত বেলেগ বেলেগ সপোন আছে সপোন আছে বাবে আশাৰ জন্ম হয়। এই সপোন বোৰক বাস্তৱ কৰিবলৈ মানুহে এবুকু আশা লৈ আগবাঢ়ি যায়। সেইবাবেই আমি আগবাঢ়ি যাব পাৰোঁ জীৱনত। আশা আছে বাবেই আমি নিজকে জীয়াই ৰাখিব পাৰোঁ সুন্দৰ সুন্দৰ কামকাজ আৰু ইতিবাচক চিন্তাধাৰাৰ মাজেৰে। এইখিনিয়ে সচাঁ আমাৰ সকলোৰে জীৱনত। সেইবাবে আহক আমি সকলোৱে বছৰৰ পহিলা মাহটোৰ পৰা এনেদৰেই আগুৱাই যাও। সকলোলৈ বহুতশ্ৰদ্ধা, মৰম আৰু শুভ কামনা থাকিল।

# স্বাগতম নৱবৰ্ষ

বন্দিতা শৰ্মা কন্দলি




সময় গতিশীল। অনন্ত গতিৰে অবিৰাম ভাবে কালৈকো ৰ'বৰ প্ৰয়োজন বোধ নকৰা সময়ক পল অনুপলকৈ দিন, সপ্তাহ, মাহবোৰ সামৰি বছৰ হিচাপে গণ্য কৰি বাৰ্ষিক কেলেণ্ডাৰ খন প্ৰস্তুত কৰা হৈছে। সময়ৰ গতিত কেলেণ্ডাৰৰ অন্তিম দিনা পুৰণি বছৰটোৱে মেলানি মাগে। কালৰ বুকুত হেৰাই যায় ৩৬৫ দিন বা ১২ মাহ বা এটা বছৰ। পাখি লগা কাঁড়ৰ দৰেই সময়ে অতীত, বৰ্তমান নেওচি গতিকৰে ভৱিষ্যতৰ দিশে। এই চিৰ প্ৰবাহমান শ্ৰোতত বিলিন হৈ পৰে হাঁহি-কান্দোন, সুখ-দুখ, প্ৰাপ্তি-অপ্ৰাপ্তি, চিন্তা-দুশ্চিন্তা আদিবোৰ। অতীত হোৱা বছৰ টোৰ সকলোবোৰ অৱসাদ আঁতৰাই নতুন আশাক নৱ প্ৰভাতৰ উদিত সুৰুযৰ আলোকেৰে পোহৰাই তুলিবলৈ বিচাৰোঁ নতুন বছৰটোক। যদিও আমাৰ সংস্কৃতিয়ে ব'হাগ মাহটোকহে নৱবৰ্ষ বুলি কয় কিন্তু গতিশীল সময়ে সকলো সলনি কৰি আধুনিক জীৱন শৈলীত ইংৰাজী মাহৰ ১ তাৰিখটোকে সকলোৱে নৱবৰ্ষ হিচাপে গণ্য কৰা হৈছে। সেয়েহে ১ জানুৱাৰীত নতুন সপোন, নতুন আশা, নতুন প্ৰতিশ্ৰুতিৰে স্বাগতম জনাইছোঁ নৱবৰ্ষক। চিৰ প্ৰবাহমান সময় অতি মূল্যৱান। সময়ে মূল্য সেইজনকহে দিয়ে যি জনে সময়ৰ মূল্য বুজি পায়। অন্যথাত খৰছ কৰা সময় নিৰ্দিষ্ট সময়ত বৰ নিষ্ঠুৰ হৈ ধৰা দিয়ে। তেতিয়াই সময়ে ইংগিত দিয়ে অন্ধকাৰ ভৱিষ্যতৰ। ফলস্বৰূপে আমাৰ জীৱন হৈ পৰে দুদোল্যমান। কেৱল কৰ্মইহে সময় নিৰূপণ কৰে । সেয়ে আমাৰ বাবে প্ৰতিটো পুৱা, প্ৰতিটো দিনেই হওক নতুন। শীতৰ কুঁৱলী ফালি ভাহি অহা প্ৰভাতী পক্ষীৰ সুমধুৰ সুললিত কণ্ঠই প্ৰতিগৰাকী নাৰীকে কৰি তোলে প্ৰাণৱন্ত। নতুনৰ দিশে আগুৱাই যোৱা আমি নতুন নাৰী। আমাৰ আশা-আকাংক্ষা হওক সুদুৰপ্ৰসাৰী, আকাশলংঘী কিন্তু আমি পাহৰি যাব নালাগিব আমাৰ শিপাডাল। আমাৰ শিপা হৈছে আমাৰ সংস্কৃতি, আমাৰ আচাৰ-আচৰণ, আমাৰ খাদ্যাভ্যাস আদি। সময়ৰ বালিত খোজ মিলাবলৈ আমি সসন্মানেৰে আগবাঢ়ি যাব লাগিব । ইয়াৰ বাবে আমি নিজকে জ্ঞানৰ জেউতি ৰে আলোকিত কৰি পৰিয়ালটিক আদৰ্শ ৰূপে গঢ় দিব লাগিব। নেতিবাচক চিন্তা ধাৰা, পৰচৰ্চা, পৰনিন্দা আদিৰ পৰা পৰিয়াল টো বচাই ৰখাৰ দায়িত্ব ও নাৰীসকল ওপৰত থাকে। নাৰী গৰাকী এখন ঘৰৰ লক্ষ্মী। গতিকে প্ৰতিগৰাকী নাৰীয়েই সময় আৰু দায়িত্বৰ প্ৰতি সজাগ হৈ আত্মিক শক্তিৰে সমাজ আৰু দেশৰ উন্নতিৰ হকে আগবাঢ়ি যাব লাগিব। নৱবৰ্ষই প্ৰতি গৰাকী নাৰীক অন্যায়ৰ বিৰুদ্ধে যুঁজ দিবলৈ সক্ষম কৰি তোলক। নৱবৰ্ষই সকলোৱে বাবে কঢ়িয়াই আনক সুখ সমৃদ্ধিৰ নতুন ৰেঙণি।

E-mail us-
rongilibartamedhi@gmail.com


Postal Redg. No. GH- 098/ 2015 - 17

Rongili Barta
GUWAHATI—781025

১৭ পুহ, ১৪২৭ চন Rongili Barta, Date of Publication-- 02 January, 2022

# স্বাগতম নৱবৰ্ষ

ময়ূৰাক্ষী গগৈ,যোৰহাট




গতিশীল সময়ৰ আহ্বানত
পুনৰবাৰ পুৰণিক বিদায় দি
নতুনক আদৰাৰ সময় সমাগত।
নৱবৰ্ষৰ আগমনৰ লগে লগে
সকলোৰে মনবোৰ যেন ৰঙীন হয়।
সময় গতি কৰে সুখ-দুখ, হাঁহি-কান্দোনেৰে।
পাৰ হৈ যোৱা অভিশপ্ত ক্ষণ বোৰ
যেন দুনাই উভতি নাহে।
নৱবৰ্ষৰ নৱ প্ৰভাতত
আহক আমি আগবাঢ়ি যাওঁ
নতুন উদ্যম আৰু আশাৰে।

# উশাহ

মিতু ভূঞা



এটি নতুন দিনৰ
নতুন আৰম্ভনি
নতুন মনৰ নতুনত্বৰ
মাথোন এটি
সৰু আৰম্ভনি ।
থমকি ৰৈ থাকিবলৈ
নাই সময় হাতত
নাই সময় নাই
লোৱা দীঘল কৈ
এটি সুভাষ সুময়
উশাহ মাথোন উশাহ
দিয়া আগুৱাই খোজ
যোৱা আগুৱাই তুমি
কৰা এটি নতুন দিনৰ
শুভ আৰম্ভনি
ৰৈ থাকিবলৈ সময় নাই
দূৰ দিগন্ত লৈ বৈ
যাক মাথোন তোমাৰে
সুভাষ তোমাৰেই নাম
মাথোন তোমাৰেই কাম।
লোৱা এটি উশাহ
যোৱা তুমি আগুৱাই
যোৱা তুমি আগুৱাই।
এটি নতুন দিনৰ আৰম্ভনি
এটি নতুন মনৰ, নতুন আশা
নতুনত্বৰ আৰম্ভনি।
লোৱা এটি উশাহ
মাথোন উশাহ।

# মোৰ জন্মদিনৰ অনুভব

বিধান সভা সমষ্টিৰ অন্তৰ্গত সানোৱাত প্ৰতিস্থাপিত সানোৱা মাদ্ৰাছা উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ যাওঁ । দিনৰ আঢ়ৈ বজাত আমাৰ বিদ্যালয়ৰ পৰা একত্ৰিশ ডিচেম্বৰ, ২০২১ তাৰিখে অৱসৰ পোৱা সহকাৰী শিক্ষক খবিৰুদ্দিন আহমেদৰ অৱসৰকালীন বিদায় দিবৰ বাবে এখনি মানপত্ৰ প্ৰস্তুত কৰিবলৈ বৰদৌলগুৰিত থকা পেৰামাউন্ট অফচেটলৈ যাওঁ । তাত সকলো কাম শেষ কৰি প্ৰায় ৰাতি চাৰে সাত বজাত ঘৰ পাওঁহি। অৱশ্যে মাজে সময়ে বিভিন্নজন বন্ধু আৰু শুভাকাংক্ষীয়ে মোলৈ পঠোৱা জন্মদিনৰ শুভেচ্ছাৰ ফোন যোগে ধন্যবাদ জ্ঞাপন কৰি থাকো। অসমৰ সমাজ জীৱনত বিভিন্ন উপকাৰ নোহোৱা কামৰ ভিতৰত জন্মদিনৰ দিনজোৰা আনুষ্ঠানিকতাও এক অন্যতম বুলি মোৰ ব্যক্তিগত মত। নৱবৰ্ষই হওক জন্মদিনেই হওক অসমৰ সমাজ জীৱনৰ একো একোজন সদস্য হিচাপে আমি সকলোৱে নিজৰ লগতে সমাজৰ প্ৰভূত উপকাৰ হোৱা কৰ্মৰ আঁচনি গ্ৰহণ কৰি নিজক লগতে অসমখনক অনন্য ৰূপত বিশ্বৰ সমূখত তুলি ধৰিবলৈ অংগীকাৰবদ্ধ হওঁ আহক।

# অনুভৱৰ কৰণিত..

প্ৰণামী দেৱী
মিছামৰা, গোলাঘাট



আমাৰ জীৱনৰ প্ৰতিটো পলেই আমাৰ বাবে নতুন আৰু অন্তিম। তথাপি আমি দিন, মাহ বা বছৰ একোটাক হে নতুন বুলি অনুভব কৰো, প্ৰাধান্য দিও, পৰিকল্পনা কৰো বা সংকল্প লঁও। সময়ৰ বলুকাত আমি জীৱনত বহুত অভিজ্ঞতা লাভ কৰিলো, বহুত পালো আৰু হেৰুৱালো। দিন, মাহ, বছৰ পাৰ হৈ গৈ আছে, গৈ থাকিব সময়। কিন্তু যোৱা দুটা বছৰে আমাৰ জীৱনত ভয়ংকৰ অভিজ্ঞতা দি গ'ল। মহামাৰীৰ গ্ৰাসত সমগ্ৰ বিশ্ব স্তব্ধ হৈ পৰিল, হয়তো বৰ্তমান জীৱিত ব্যক্তি কোনোৱেই এনে অভিজ্ঞতা ব্যক্ত কৰিব নোৱাৰে। নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ অভাব, মূল্যবৃদ্ধি, ৰোগীৰ বাবে চিকিৎসক নাই, দিন হাজিৰালৈও ওলাই যাব নোৱাৰে, সাধাৰণ লোকৰ অৰ্থৰ অভাৱ, শিক্ষাৰ্থীসকলৰ ভৱিষ্যতৰ সপোন চেদেলি ভেদেলি হ'ল আৰু যে কি কি পৰিস্থিতি... বহুত আপোন মানুহ হেৰাই গ'ল, বহুতৰ ঘৰ পৰিয়ালত কোনো নাইকিয়া হৈ গ'ল, দেশ আৰু সমাজৰ বহু প্ৰখ্যাত ব্যক্তি হেৰাই গ'ল, অমানুষিক অত্যাচাৰ পৰিণতিতো বহুতকে আমি হেৰুৱালো.. আৰু যে কত দুখ-দুৰ্গতিৰ মাজেৰে বছৰটো গ'ল।

স্তব্ধ দিনকেইটাত বহুতো লোকে কৰ্মসূত্ৰে আঁতৰত থকা পো-বোৱৰী, জী-জোৱাইৰ সংসাৰলৈ অহা নাতি-নাতিনীকো দেখা কৰিবলৈ পোৱা নাই। বহুতৰে আকৌ দিন-বাৰ মিলাই থিক কৰি থোৱা বিয়া খনৰো SOP ৰ লগত হে সফল হ'ল, কাৰোবাৰ আকৌ ন'হলেই...। মুঠতে মানসিক চাপ। তাৰ মাজতেই বহুতে আকৌ ক'লা বা বগা টকাৰে অভাৱত পৰি বিক্ৰী কৰা মাটি কিনিছে, তাত অট্টালিকা সাজিছে, কোনোৱে পুৰণি ঘৰতো ভাঙি নতুনকৈ বনাইছে বা মেৰামতি কৰিছে- কাৰণ ঘৰত থাকি চোৱা-চিতা কৰিবলৈ সময় পাইছে।বিশ্বত যি হয় হৈ থাকক, অট্টালিকা আৰু বিলাসী জীৱনৰ সপোন কিন্তু লগত থাকিবই। মুঠতে বছৰৰ মিলাব নোৱাৰা খাতিয়ন। বুকুৰ ভিতৰত বিষ এটাই খুন্দিয়াই যায়।সময়ৰ সোঁতৰ বিপৰীতে হে গৈছো নেকি আমি ?কি কৰিছো আৰু কি হ'বলৈ গৈছো ? বহুত শংকা। কিন্তু জঠৰ হৈ গ'লেতো নহ'ব। ঈশ্বৰে যি দিছে সেই পৰিস্থিতিকে আপোন কৰি নিজৰ মনতোক সুস্থ ৰাখি আমি আগবাঢ়ি যাব লাগিব। আমি প্ৰত্যেকে অকলশৰীয়া আৰু কোনো অকলশৰীয়াও নহয়।নেদেখা জনেইহে নিখুঁত বিচাৰ কৰিব, তেওঁ আমাৰ যোগ্যতাৰ নিৰ্ণায়ক। এনেদৰেই আগোৱাই যাব লাগিব আমি।নতুন সময়, নতুন দিন, নতুন বছৰত সকলোজনেই ঋণাত্মক চিন্তা খিনি আতঁৰাই মনৰ হেঁপাহেৰে সুখী আৰু সফঁল হঁওক..সুস্থ দেহ আৰু মন লৈ আগোৱাই যাওঁক...লক্ষ্যৰ দিশে।

ৰঙিলী বাৰ্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ স্বগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286